সহায় কৰিব।

- তদুপৰি, জলবায়ুৰ কাম-কাজৰ প্ৰয়োজনীয়তাৰ আলোকপাতেৰে আমাৰ পিছৰ প্ৰজন্মৰ মাজত জলবায়ুৰ পৰিৱৰ্তনৰ সম্পৰ্কত সচেতন সৃষ্টিৰ উদ্দেশ্যে আমি বিদ্যালয়ৰ পাঠ্যপুথিসমূহত জলবায়ু পৰিৱৰ্তনৰ পাঠ্যক্ৰম আৰম্ভ কৰিম।
- ২০২২-২৩ বৰ্ষৰ বাজেটত ঘোষণা কৰা Chief Minister's Climate Resilient Village Fellowship Programme ৰ অধীনত এই ফেল'শ্বিপৰ বাবে নিৰ্বাচিত কৰা স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকলে ১০০ খন গাঁৱৰ বাবে নিৰ্দিষ্ট গাঁৱৰ জলবায়ু কৰ্ম পৰিকল্পনা প্ৰদান কৰা হৈছে। এই বৰ্ষত আমি ১০ খন আদৰ্শ জলবায়ু স্থিতিস্থাপক গাঁও গঢ়ি তোলাৰ দিশত পদক্ষেপ ল'ম।
- এই বৰ্ষত ১৮টা বিভাগক সামৰি আমি সেউজ বাজেট প্ৰকাশৰ ধাৰা অব্যাহত ৰাখিম। তদুপৰি পুঁজি আবণ্টনৰ অগ্ৰাধিকাৰকল্পে বিভাগসমূহৰ জলবায়ু অনুকূল আঁচনিসমূহ সংলগ্ন কৰা হ'ব।

### X. অমৃত-গুৱাহাটী সংহত গোলকীয় মহানগৰ (Amrit-GiG City)

- অসম চৰকাৰৰ ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেট ভাষণত অমৃত-গুৱাহাটী সংহত গোলকীয় মহানগৰ (Amrit-GiG City) নামৰ এখন বিশ্বমানৰ সংহত বাণিজ্যিক মহানগৰ গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতি দিছিলো। পৰৱৰ্তী প্ৰজন্মৰ উদ্যোগৰ লগতে নতুন ধৰণৰ আৱাসিক আৰু সামাজিক আন্তঃগাঁথনিৰ বাবে বিশ্বমানৰ আন্তঃগাঁথনিৰ সৈতে মিলাই নিব পৰাকৈ ১,০০০ একৰ এলেকাত প্ৰস্তাৱিত Amrit-GiG City গঢ়ি তোলাৰ বাবে পূৰ্ণ পৰিকল্পনা লোৱা হৈছে।

### XI. আয়ুষ্মান অসম ঃ এক ব্যাপক স্বাস্থ্যসেৱা পদক্ষেপ

- আয়ুষ্মান অসমৰ অধীনত আমাৰ ৰাজ্যখনৰ প্ৰায় ২ কোটি হিতাধিকাৰীয়ে চিকিৎসা সেৱা লাভ কৰি আছে।
- ২০২৩ বৰ্ষত অধিক হিতাধিকাৰীক সামৰি আমি 'আয়ুষ্মান ভাৰত- প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা'ৰ সৈতে সংলগ্নকৰণেৰে 'মুখ্যমন্ত্ৰী আয়ুষ্মান অসম যোজনা (AA-MMJAY) নামৰ নতুন স্বাস্থ্য বীমা আঁচনিখন প্ৰৱৰ্তন কৰিছো। ইয়াৰ উদ্দেশ্য হৈছে প্ৰতি বছৰে প্ৰতিটো পৰিয়ালৰ বাবে ৫ লাখ টকাৰ নগদবিহীন চিকিৎসাৰ সুবিধাসহ ৫৮ লাখ পৰিয়ালক উপকৃত কৰা।
- এতিয়ালৈকে আঁচনি দুখনৰ অধীনত ৫৮৮ কোটি টকাৰে ৪ লাখতকৈ অধিক লোক নগদবিহীন চিকিৎসাৰ দ্বাৰা উপকৃত হৈছে।
- চলিত বৰ্ষতো আমি এই গুৰুত্বপূৰ্ণ স্বাস্থ্য সেৱা আঁচনিখন অব্যাহত ৰাখিম আৰু ইয়াৰ দ্বাৰা অধিক হিতাধিকাৰীক সামৰি ল'ব পৰা যাব বুলি আশা কৰিছো।
- ইয়াৰ উপৰি পূৰ্বতে ঘোষণা কৰা অনুসৰি আমি 'আয়ুষ্মান অসম-মুখ্যমন্ত্ৰী লোক সেৱক আৰোগ্য যোজনা'খন আৰম্ভ কৰিছো। ইয়াৰ লক্ষ্য হৈছে চৰকাৰী বিষয়া-কৰ্মচাৰী, তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল লোক, পেঞ্চনাৰ আৰু তেওঁলোকৰ পতি-পত্নীসকলৈ সহজতে অনলাইনযোগে চিকিৎসা ব্যয় পৰিশোধৰ সুবিধা প্ৰদান কৰা।

### XII. মুখ্যমন্ত্ৰীৰ আয়ুষ্মান অসমৰ অধীনত ব্যাপক বিদ্যালয় স্বাস্থ্য কাৰ্যসূচী

- মহাশয়, অসমৰ বিদ্যালয়লৈ যোৱা শিশুসকলৰ সুস্বাস্থ্য, পৰিপুষ্টি আৰু উন্নত জীৱনশৈলী নিশ্চিত কৰাৰ বাবে প্ৰতিগৰাকী শিক্ষাৰ্থীলৈ স্বাস্থ্য কাৰ্ড প্ৰদান কৰি তেওঁলোকৰ গুণ বিচাৰ আৰু নিৰীক্ষণৰ ফলাফল লিপিবদ্ধ কৰা হ'ব।
- সকলো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সামাজিক, আচৰণগত আৰু প্ৰজনন সম্বন্ধীয় স্বাস্থ্য শিক্ষা প্ৰদান কৰা হ'ব।

### XIII. মুখ্যমন্ত্ৰীৰ আয়ুষ্মান অসমৰ অধীনত অসমৰ এম বি বি এছ ছাত্ৰ-ছাত্ৰীৰ বাবে গাঁও আৰু সম্প্ৰদায় সৌহাৰ্দ্যমূলক কাৰ্যসূচী

- যোগাযোগ দক্ষতাৰ সৈতে সমূহীয়া স্বাস্থ্যক প্ৰভাৱিত কৰিব পৰা বিভিন্ন সাংস্কৃতিক কাৰকসমূহৰ বিষয়ে জনাৰ উদ্দেশ্যে এম বি বি এছৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চিকিৎসা মহাবিদ্যালয়সমূহত গাঁও আৰু সম্প্ৰদায় সৌহাৰ্দ্যমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে একোটা পৰিয়ালৰ চোৱা-চিতা কৰাৰ ব্যৱস্থাৰ জৰিয়তে স্থানীয় সম্প্ৰদায়ৰ স্বাস্থ্যৰ প্ৰয়োজনীয়তাৰ বিষয়ে ভালকৈ বোধগম্য হোৱাত সহায় কৰিব।

### XIV. ডিজিটেল ৰূপান্তৰ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ উৎকৰ্ষ সাধন

- প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত নতুন ভাৰতৰ ধাৰা অব্যাহত ৰাখিবলৈ আমাৰ চৰকাৰে অসম কৃত্ৰিম বুদ্ধিমত্তা উৎকৰ্ষ কেন্দ্ৰ (Assam Centre for Excellence for Artificial Intelligence) স্থাপন কৰিব।
- আমাৰ চৰকাৰে Assam Data Exchange Platform গঢ়ি তুলিব। এই ব্যৱস্থাই ডাটাপ্ৰাপ্তি, ইয়াৰ প্ৰয়োগ আৰু ডাটাৰ দ্বাৰা পৰিচালিত প্ৰশাসন আৰু নীতি তৈয়াৰ কৰাৰ ক্ষেত্ৰত এক ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি হিচাপে কাম কৰিব।

### XV. জ্ঞান ধাৰা— অভিজ্ঞতামূলক শিকনৰ সৈতে ভাৰ্চুৱেল ৰিয়েলিটী প্ৰযুক্তিৰ সংহতকৰণ

- সমগ্ৰ দেশৰ ভিতৰতে গ্ৰহণ কৰা এনে ধৰণৰ প্ৰথম পদক্ষেপ হিচাপে মই জ্ঞান ধাৰা প্ৰকল্পৰ প্ৰস্তাৱ আগবঢ়াইছো যাতে ভাৰ্চুৱেল ৰিয়েলিটী আধাৰিত পাঠ্য ক্ৰমভিত্তিক সমলৰ জৰিয়তে সমগ্ৰ ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ বাবে অভিজ্ঞতামূলক শিক্ষা প্ৰদান কৰা হয়। ই হ'ব ভাৱৰ আদান-প্ৰদানমূলক আৰু ঐকান্তিক।
- আৰম্ভণিতে ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীৰ সহযোগত এই প্ৰকল্পটো আদৰ্শ বিদ্যালয়সমূহত পৰ্যায়ক্ৰমে প্ৰৱৰ্তন কৰা হ'ব।
- মই ইয়াৰ বাবে ৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

### XVI. নতুন দিল্লীত তৃতীয় অসম ভৱন

- মই এই কথা ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে, দিল্লী উন্নয়ন কৰ্তৃপক্ষৰ পৰা নতুন দিল্লীৰ দ্বাৰকাত ৪,০০০ বৰ্গ মিটাৰৰ এডোখৰ মাটিৰ আবণ্টন লাভ কৰিছো।
- নতুন দিল্লীত আমাৰ ৰাজ্যৰ বাবে তৃতীয়টো অসম ভৱন নিৰ্মাণৰ কাম আৰম্ভ কৰিছো। এই চৌহদত আমি বিবাহ ভৱন, নামঘৰ আদি অন্যান্য ৰাজহুৱা সা-সুবিধাও সন্নিৱিষ্ট কৰিম। এই সা-সুবিধাসমূহ অসমৰ পৰা যোৱা বা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰত থকা অসমীয়াসকলে ব্যৱহাৰ কৰিব পাৰিব।

### XVII. আমাৰ কৰ্মচাৰীৰ কাষত চৰকাৰ— "আপোন ঘৰ, আপোন বাহন"

- অধ্যক্ষ মহোদয়, আপোন ঘৰ আঁচনিৰ অধীনত ৫,১৫৭.৪৬ কোটি টকাৰ ঋণৰ যোগান ধৰা হৈছে আৰু ৩৭,৮১১ গৰাকী কৰ্মচাৰী উপকৃত হৈছে।
- গৃহঋণৰ সুদ ৰেহাইৰ বাবদ ৪৮৮.৭৬ কোটি টকা প্ৰদানেৰে আমাৰ দায়বদ্ধতা প্ৰতিষ্ঠিত কৰা হৈছে।
- আগন্তুক বৰ্ষতো এই আঁচনিখন অব্যাহত থাকিব বুলি ঘোষণা কৰিবলৈ পাই মই সুখী হৈছো। ইয়াৰ বাবে মই বাজেটত ১১০ কোটি টকা ধাৰ্য কৰিছো।
- যোৱা বৰ্ষৰ বাজেটত দিয়া প্ৰতিশ্ৰুতি অনুসৰি আমাৰ চৰকাৰে 'আপোন বাহন' আঁচনিখন প্ৰৱৰ্তন কৰিছে। এই আঁচনিখনৰ জৰিয়তে পুৰুষ কৰ্মচাৰীসকলক ডিজেল-পেট্ৰ'লচালিত বাহন ক্ৰয়ৰ বাবে ২ শতাংশ আৰু ইলেক্ট্ৰিক বাহন ক্ৰয়ৰ বাবে ৩ শতাংশ সুদ ৰাজসাহায্য প্ৰদান কৰা হয়।
- আনহাতে মহিলা আৰু বিশেষভাৱে সক্ষম কৰ্মচাৰীসকলে যিকোনো প্ৰকাৰৰ বাহন ক্ৰয়ৰ বাবে ৩ শতাংশ সুদ ৰাজসাহায্য লাভ কৰে।
- মই ইয়াৰ বাবে এই বাজেটত ১২ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

### XVIII. বিভিন্ন সংস্থাৰ কৰ্মচাৰীক সহায় (এককালীন সাহায্য)

- অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM), সৰ্বশিক্ষা অভিযান (SSA), ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM) আদিৰ দৰে সংস্থাবোৰে চৰকাৰৰ অগ্ৰাধিকাৰপ্ৰাপ্ত খণ্ডৰ কাম-কাজ সম্পাদনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- এই সংস্থাসমূহৰ দুৰ্ভাগ্যজনকভাৱে মৃত্যু হোৱা কৰ্মচাৰীলৈ এককালীন সাহায্য (ex-gratia) হিচাপে আগবঢ়োৱা ধনৰ পৰিমাণ ৫ লাখ টকাৰ পৰা ৭.৫ লাখ টকালৈ বৃদ্ধিৰ বাবে মই প্ৰস্তাৱ কৰিলো।
- মই এই প্ৰকল্পৰ বাবে পৰ্যাপ্ত পুঁজি ধাৰ্য কৰিছো।

### XIX. জীৱিকা সখী এক্সপ্ৰেছ

- ১৯,০০০ গৰাকী জীৱিকা সখীৰ ভিতৰত ১০,৯১০ গৰাকীয়ে স্কুটী লাভ কৰিছে। ইয়াৰ উদ্দেশ্য হৈছে মহিলাসকলৰ মাজত বিত্তীয় সবলীকৰণৰ বাৰ্তা প্ৰেৰণ কৰি বাইজৰ লগত তেওঁলোকৰ সু-সম্পৰ্ক গঢ়ি তোলা। এই বৰ্ষত আমি বাকী থকা জীৱিকা সখীসকলকো স্কুটী প্ৰদান কৰিম।
- এই আঁচনিৰ বাবে মই ৫২ কোটি টকা আবণ্টনৰ দিছো।

### XX. বনাঞ্চলত সেৱা আগবঢ়োৱা অবৈতনিক গাঁওপ্ৰধানসকললৈ মাহেকীয়া পাৰিতোষিক

- অসম-নাগালেণ্ড সীমান্ত, অসম-অৰুণাচল সীমান্ত আদি ৰাজ্যখনৰ সীমান্তমুখীয়া বনাঞ্চলত সেৱা আগবঢ়োৱা গাঁওপ্ৰধানসকলক তেওঁলোকৰ সেৱাৰ স্বীকৃতি হিচাপে তেওঁলোকলৈ মাহেকীয়া পাৰিতোষিক প্ৰদানৰ অৰ্থে আমি পুঁজি আছুতীয়াকৈ ৰাখিছো।
- এই সন্দৰ্ভত ৬ কোটি টকা ধাৰ্য কৰা হৈছে।

অধ্যক্ষ মহোদয়, এতিয়া মই পৱিত্ৰ সদনত বিভাগভিত্তিক বাজেট আবণ্টন দাখিল কৰিব বিচাৰিছো

## প্ৰশাসনীয় বিভাগসমূহ

### এক্ট ইষ্ট পলিচী পৰিক্ৰমা বিভাগ

*সাংস্কৃতিক সেতু বন্ধনেৰে বন্ধুত্ব স্থাপন*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত, বিভাগটোৱে বাণিজ্য মঞ্চ (Trade Forum), শৈক্ষিক মত-বিনিময় আৰু সীমান্ত সজাগতা কাৰ্যসূচীকে ধৰি বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে দক্ষিণ-পূব এছিয়া আৰু চুবুৰীয়া দেশসমূহৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ দিশত সফলতাৰে কাম কৰিছে। বিভাগটোৱে ইয়াৰ সফলতাৰ ধাৰা এই বছৰতো অব্যাহত ৰাখিব বিচাৰিছে। অসমৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যমিতা প্ৰতিষ্ঠান (এম এছ এম ই)সমূহক আঞ্চলিক আৰু গোলকীয় মূল্য-শৃংখলৰ সৈতে একত্ৰীকৰণ কৰাৰ বাবে মেকং ইনষ্টিটিউটৰ সৈতে চলি থকা সহযোগিতাই প্ৰাৰম্ভিক পৰ্যায়ত ৬০০ টা কোম্পানীক উপকৃত কৰিব। বিদেশ ভ্ৰমণ আৰু ভাৰতীয় বাণিজ্য তথা ঔদ্যোগিক সংস্থাৰ সংঘ (এফ আই চি চি আই) আৰু এ আই ডি চিৰ দৰে প্ৰসিদ্ধ সংস্থাৰ সৈতে থকা কৌশলগত অংশীদাৰিত্বই "ইণ্ডিয়া-আছিয়ান মৈত্ৰী" (India-ASEAN friendship) আৰু "চুবুৰীয়া প্ৰথম" (Neighborhood First) নীতিক আৰু অধিক প্ৰসাৰ কৰিব।
- মই এই বিভাগটোৰ বাবে ২.১৮ কোটি টকা আবণ্টন দিছোঁ।

### প্ৰশাসনিক সংস্কাৰ, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগ

*ন্যূনতম প্ৰশাসন, সৰ্বোচ্চ সেৱা*

- প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগে দক্ষ, স্বচ্ছ প্ৰশাসন তথা চৰকাৰখনক জনসাধাৰণৰ ওচৰ চপাই লৈ যোৱাৰ উদ্দেশ্যেৰে অনলাইন প'ৰ্টেলকে ধৰি জনসাধাৰণমুখী বহুসংখ্যক কাৰ্যসূচী গ্ৰহণ কৰিছে যাতে চৰকাৰ আৰু জনসাধাৰণৰ মাজত এক শক্তিশালী সম্পৰ্ক গঢ় লৈ উঠে।
- পুৰণি ফাইল নিষ্পত্তি আৰু ই-অফিচ প্ৰৱৰ্তনৰ বাবে মিছন সম্ভাৱনা-২.০, পেঞ্চন প্ৰক্ৰিয়া সৰলীকৰণৰ বাবে কৃতজ্ঞতা-২.০ৰ জৰিয়তে ১৯,০০০ পেঞ্চনৰ আদেশ জাৰি (Pension payment order) আৰু জীয়াই থকাৰ প্ৰমাণপত্ৰ দাখিলৰ এক নিৰ্ভৰযোগ্য মঞ্চ হিচাপে জীৱন প্ৰমাণ প'ৰ্টেলৰ দৰে কেতবোৰ গুৰুত্বপূৰ্ণ সফলতা এই বিভাগে লাভ কৰিছে।
- বিভাগে অনলাইন বৈশিষ্ট্যসহ তথ্য জনাৰ অধিকাৰ প'ৰ্টেলৰ প্ৰাৰম্ভণ, অসম তথ্য আয়োগৰ উন্নত শুনানি ব্যৱস্থাৰ কাৰ্যকৰীকৰণ, অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ৰ উন্নীতকৰণ আৰু চৰকাৰী কৰ্মচাৰীসকললৈ প্ৰশিক্ষণ প্ৰদানৰ অৰ্থে নতুন প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ লেখীয়া কেতবোৰ গুৰুত্বপূৰ্ণ কাম-কাজ হাতত লোৱাৰ পৰিকল্পনা কৰিছে।
- মই এই বিভাগৰ বাবে ১৫,৫৩৮.৭৮ কোটি টকা আবণ্টন দিছোঁ।

### কৃষি বিভাগ

*প্ৰযুক্তিৰ জৰিয়তে কৃষিৰ সমৃদ্ধি*

- ২০২২-২৩ বৰ্ষত ৭ বছৰীয়া কাৰ্যকালেৰে অসম মিলেট অভিযান আৰম্ভ কৰা হৈছিল। ইয়াৰ লক্ষ্য হৈছে ৰাজ্যখনত মিলেট খেতিক উৎসাহিত কৰা। মিলেট অভিযানক ইতিমধ্যে ৰাজ্যিক পৰিপুষ্টি কাৰ্যসূচী আৰু পোষণ অভিযানৰ সৈতে সংযুক্ত কৰা হৈছে। ২০২৩-২৪ বৰ্ষত শস্যৰ বিবিধতা আৰু ক্ষেত্ৰ সম্প্ৰসাৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছিল। ইয়াৰ ভিতৰত আছিল দুতৰপীয়া পদ্ধতিৰে ধান খেতি, ব্যাপক সৰিয়হ খেতি, মাহজাতীয় শস্যৰ খেতিৰ বৃদ্ধি, আলু খেতিৰ অধিক বৃদ্ধি আৰু মাকৈ খেতিৰ সম্প্ৰসাৰণ। খোৱা তেলৰ বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় খোৱা তেল-তৈল বীজ অভিযানৰ অধীনত ২০২৫-২৬ বৰ্ষৰ ভিতৰত অতিৰিক্ত চাৰি লাখ হেক্টৰ ভূমিত তৈল বীজৰ খেতি কৰাৰ লক্ষ্য লোৱা হৈছে। বৰ্তমানলৈকে ১.৭৭ লাখ হেক্টৰ ভূমিত সৰিয়হ খেতি কৰা হৈছে।
- চৰকাৰে উদ্যান শস্যক অগ্ৰাধিকাৰ খণ্ড হিচাপে গুৰুত্ব প্ৰদান কৰিছে। এই উদ্দেশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে জৈৱ মূল্য শৃংখল উন্নয়ন অভিযান (MOVCDNER)ৰ অধীনত প্ৰায় ২০,০০০ হেক্টৰ ভূমিক সামৰি লোৱা হৈছে। অসম কৃষি ব্যৱসায় আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্প ( APART)ৰ অধীনত ১২৬টা কৃষক উৎপাদন কোম্পানীক জড়িত কৰাই ক্ষেত্ৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ জৰিয়তে ১,৭৩৮ হেক্টৰ এলেকাত আলু খেতি কৰাৰ ব্যৱস্থা কৰা হৈছে।
- মই এই বিভাগৰ বাবে ২,৪৪৫.৭১ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

### পশুপালন আৰু পশু চিকিৎসা বিভাগ

*আত্মনিৰ্ভৰশীলতাৰ পৰিপূৰক*

- বিগত বিত্তীয় বৰ্ষত ১,০০০ তকৈ অধিক গাহৰি পালন গোট আৰু ২০০ তকৈ অধিক কণী উৎপাদনৰ বাবে কৰা বাণিজ্যিক কুকুৰা (Layer) পামৰ বাবে Credit Linkageৰ ব্যৱস্থা কৰা হৈছে, যিয়ে দুয়োটা খণ্ডৰ বিকাশত অৰিহণা যোগাইছে। ১৮০ টাতকৈ অধিক ভ্ৰাম্যমাণ পশু চিকিৎসা গোট নিয়োগৰ জৰিয়তে পশু চিকিৎসা সেৱাৰ মান বৃদ্ধিৰ প্ৰয়াস কৰা হৈছে। আনহাতে ছাগলী পালনৰ ক্ষেত্ৰত মহিলা সবলীকৰণৰ বাবে এখন আঁচনি সক্ৰিয়তাৰে চলাই থকা হৈছে। ডিব্ৰুগড়, বোকাখাত আৰু গুৱাহাটীত পোহনীয়া জীৱ-জন্তুৰ চিকিৎসাৰ বাবে উন্নত মানৰ Super Speciality চিকিৎসালয় নিৰ্মাণৰ কাম চলি আছে। আনহাতে ১৬০ গৰাকীতকৈ অধিক পশু চিকিৎসা বিষয়াক নিযুক্তি প্ৰদানৰ জৰিয়তে ৰাজ্যখনৰ পশু চিকিৎসা সেৱাৰ মান অধিক উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে।
- ২০২৪-২৫ বৰ্ষত এই বিভাগে credit linkage ব্যৱস্থাৰ অধিক সম্প্ৰসাৰণ কৰাৰ লগতে পশু চিকিৎসা সেৱাৰ প্ৰসাৰ বৃদ্ধি, নতুন কল্যাণকামী আঁচনিৰ ৰূপায়ণ আৰু আন্তঃগাঁথনি উন্নয়ন অব্যাহত ৰখাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে।
- মই এই বিভাগৰ বাবে ৬১৮.৬৩ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

### সীমা সুৰক্ষা আৰু উন্নয়ন বিভাগ

*শান্তিপূৰ্ণ সহাৱস্থানৰ বাবে অনুকূল বাতাবৰণ সৃষ্টি*

- সীমান্ত আন্তঃগাঁথনি শক্তিশালীকৰণৰ দিশত অসমে সক্ৰিয়ভাৱে কাম কৰি আছে। বৰ্তমানে থকা সীমান্ত চকী উন্নয়নৰ বাবে পুঁজি আবণ্টন কৰা হৈছে। তদুপৰি আগন্তুক তিনিটা বছৰত জটিল স্থানসমূহত ৫০টা নতুন সীমান্ত চকী স্থাপনৰ পৰিকল্পনা কৰা হৈছে। আন্তঃৰাজ্যিক সীমা বিবাদসমূহৰ সমাধানৰ দিশত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰা হৈছে। ভৱিষ্যতৰ চুক্তিৰ পথ প্ৰশস্ত কৰি ৬ টা বিবদমান এলেকাৰ সমস্যাৰ সমাধানকল্পে অসম আৰু মেঘালয়ে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ৭১ খন গাঁৱৰ ক্ষেত্ৰত থকা বিবাদ সমাধান কৰি আন এখন বুজাবুজিৰ চুক্তি আৰুণাচল প্ৰদেশৰ সৈতেও স্বাক্ষৰ কৰা হৈছে। বাকী অঞ্চলত থকা সীমান্তৰ সমস্যাও অতি সোনকালে নিষ্পত্তি কৰা হ'ব।
- শান্তিপূৰ্ণ সহাৱস্থানৰ উন্নতিকল্পে সদ্ভাৱ তথা বুজাবুজিৰ সৃষ্টি কৰিবলৈ চৰকাৰে চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সীমান্ত উৎসৱৰ আয়োজন কৰিছিল। এই পদক্ষেপসমূহে চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে অসমৰ সুৰক্ষিত সীমান্ত, বিবাদসমূহ সৌহাৰ্দ্যপূৰ্ণভাৱে সমাধান আৰু সহযোগিতাৰ সেতু নিৰ্মাণৰ দিশত থকা প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলন কৰে।
- মই এই বিভাগলৈ ৫২.১৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

### সমবায় বিভাগ

*বিশ্বাসে বান্ধে, একতাই সমৃদ্ধি আনে*

- সৰ্বাংগীণ গ্ৰাম্য উন্নয়নৰ বাবে কাৰ্যদক্ষতাৰ কাৰণে প্ৰাথমিক কৃষি ঋণ সমিতিক কম্পিউটাৰাইজ কৰাৰ পৰা আৰম্ভ কৰি এইবোৰক প্ৰধানমন্ত্ৰী কিষাণ সমৃদ্ধি কেন্দ্ৰলৈ ৰূপান্তৰ কৰালৈকে বিভিন্ন ক্ষেত্ৰত এই বিভাগৰ অগ্ৰগতি স্পষ্ট। 'বিশ্বৰ সৰ্ববৃহৎ বিকেন্দ্ৰীকৃত শস্য সংৰক্ষণ কাৰ্যসূচী' আৰু মিছন অমৃত সৰোবৰে খাদ্য সুৰক্ষা আৰু বহন ক্ষমতাৰ প্ৰতি থকা দায়বদ্ধতাক প্ৰদৰ্শন কৰিছে। এক জিলা এক উৎপাদনৰ দৰে পদক্ষেপে অনন্য কৃষি সম্ভাৱনাক প্ৰদৰ্শন কৰিছে, আনহাতে সমবায় মেলাই সজাগতা আৰু ৰাজহ বৃদ্ধি কৰাত সহায় কৰিছে।
- ইয়াৰ দ্বাৰা মই এই বিভাগটোৰ বাবে ২১১.৭১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

### সাংস্কৃতিক পৰিক্ৰমা বিভাগ

*আমাৰ ঐতিহ্য, আমাৰ পৰিচয়*

- গুৱাহাটীত সৰ্ববৃহৎ বিহুনাচ অনুষ্ঠিত কৰি গিনিজ বিশ্ব অভিলেখ গঢ়াকে ধৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগে ২০২৩-২৪ বিত্তীয় বৰ্ষত কেইবাটাও উল্লেখযোগ্য সফলতা লাভ কৰে।
- ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদানৰ সৈতে বিষ্ণু ৰাভা দিৱস, ২০২৩ অনুষ্ঠিত কৰাৰ লগতে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা সম্পৰ্কে এক সাংস্কৃতিক সজাগতা অভিযান অনুষ্ঠিত কৰা হয়। পষ্টিক বৰ্জনৰ আহ্বান জনাই অনুষ্ঠিত কৰা বাটৰ নাট, গ্ৰীষ্মকালীন বন্ধ কৰ্মশালা আৰু অসমৰ বোলছবি জগতৰ ব্যক্তিৰ সৈতে মত-বিনিময় আদিয়ে সাংস্কৃতিক ক্ষেত্ৰত থকা বিভাগটোৰ দায়বদ্ধতাকে সূচায়।
- অনাগত ২০২৪-২৫ বিত্তীয় বৰ্ষত বিভাগটোৱে সাংস্কৃতিক কাম-কাজসমূহ অব্যাহত ৰাখি কলা-কুশলীক সহায়-সহযোগিতা আগবঢ়োৱা আৰু বিভিন্ন প্ৰকল্পৰ জৰিয়তে সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব।
- মই এই বিভাগৰ বাবে ২৮৬.৬১ কোটি টকাৰ আবণ্টন দিছোঁ।

### পৰিৱেশ আৰু বন বিভাগ

*প্ৰকৃতিৰ সংৰক্ষণ, ভৱিষ্যতৰ সুৰক্ষা*

- বিভিন্ন অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানত প্ৰায় ৫,০০০ হেক্টৰ ভূমি বেদখলমুক্ত কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। আগশাৰীৰ বনৰক্ষী/চোৰাং চিকাৰবিৰোধী শিবিৰৰ বাবে ১০০ টাতকৈ অধিক গৃহ নিৰ্মাণ, বনাঞ্চলৰ সমীপত বাস কৰা সম্প্ৰদায়ৰ (forest fringe community) ৮০০ কৈ অধিক গৰাকী ব্যক্তিৰ বাবে বৃত্তিমূলক প্ৰশিক্ষণ, ৫০ খন ৰাজহুৱা জৈৱ-বৈচিত্ৰ পঞ্জীয়ন (People's Biodiversity Register)ৰ উন্নীতকৰণ, এণ্টি ডিপ্ৰেডেশ্যন স্কোৱাডৰ সক্ৰিয়কৰণ, ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগ/ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি আয়োগ (SLRC/SLPRB)ৰ মাধ্যমেৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ ৩,০০০ তকৈ অধিক কৰ্মচাৰীৰ নিযুক্তি আৰু বিভিন্ন বিভাগৰ সৈতে সমন্বয় সাধনৰ ফলস্বৰূপে বন্য প্ৰাণীৰ সংৰক্ষণ আৰু মানুহ-বন্য জন্তুৰ সংঘাত হ্ৰাস কৰা যথেষ্ট সুচল হৈ পৰিছে।
- ইয়াৰ উপৰি ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠান, কাছাৰৰ ধলাইত বৰাক উপত্যকা বন্যপ্ৰাণী ছাফাৰি আৰু উদ্ধাৰ কেন্দ্ৰ আৰু গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানা নৱীকৰণ আৰু আধুনিকীকৰণ আদি পদক্ষেপকো অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে।
- ২০২৪-২৫ বৰ্ষত অসম চৰকাৰে ৰাজ্যখনত তিনি কোটি গছপুলি ৰোপণেৰে অমৃত বৃক্ষ আন্দোলনৰ সম্প্ৰসাৰণ কৰাৰ লক্ষ্য লৈছে। অসম ৰাজ্যিক চিৰিয়াখানাৰ আধুনিকীকৰণ, দেওহাঁহ আৰু হলৌ বান্দৰ আদিৰ দৰে বিপন্ন প্ৰজাতিৰ প্ৰাণী আৰু হোলং আদিৰ দৰে স্থানীয় প্ৰজাতিৰ উদ্ভিদৰ সংৰক্ষণৰ বাবে প্ৰজাতি পুনৰুদ্ধাৰ কাৰ্যসূচী, গোলাঘাট জিলাৰ পাণবাৰীৰ বৰজুলিত প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয় আৰু বন্যপ্ৰাণী উদ্ধাৰ কেন্দ্ৰ আদি পদক্ষেপক এই বৰ্ষত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।
- মই ইয়াৰ দ্বাৰা বিভাগটোক ১২০৭.২৫ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## আবকাৰী বিভাগ

*দায়বদ্ধতাৰে নিয়ন্ত্ৰণ*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত আবকাৰী বিভাগে ফলপ্ৰসূ নিয়ন্ত্ৰণ আৰু বিভিন্ন নিচাযুক্ত পানীয়ত অনুজ্ঞাপত্ৰৰ ব্যৱস্থাৰে ২০২৩ বৰ্ষত ২০০০ কোটি টকাৰ অধিক ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। বছৰটোৰ এটা উল্লেখনীয় সফলতা হৈছে বিভাগটোৱে অবৈধ সুৰাৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ ব্যৱস্থা য'ত ১৩,০০০তকৈও অধিক অবৈধ সুৰাৰ গোচৰ ৰুজু কৰা হৈছে আৰু ৩,০০০ লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ উপৰি, আবকাৰী বিভাগে এক উদাৰ পৰম্পৰাগত পানীয় নীতি (Heritage Beverage Policy)ৰ জৰিয়তে স্থানীয় ব্যৱসায়ক উৎসাহিত কৰিছে। স্থানীয় সুৰা উৎপাদনকাৰীৰ বাবে উদ্‌গনিমূলক ধন আৰু কৰ হ্ৰাসৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে যিয়ে স্থানীয় সুৰা উদ্যোগৰ বিকাশত উৎসাহ যোগাইছে। ইয়াৰ ফলত ৰাজ্যত স্থানীয় উদ্যোগীয়ে সুৰা উৎপাদন উদ্যোগ স্থাপন কৰিবলৈ সক্ষম হৈছে।
- নতুনকৈ সুৰা বিক্ৰীৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবে ই-নিবিদা প্ৰৱৰ্তন আৰু কৰ ফাঁকি হ্ৰাস, সমগ্ৰ যোগান শৃংখলত সুৰাৰ নিৰীক্ষণৰ বাবে 'ট্ৰেক এণ্ড ট্ৰেছ' (Track & Trace) ব্যৱস্থা ৰূপায়ণকে ধৰি স্বচ্ছতা আৰু কাৰ্যক্ষমতা বৃদ্ধিৰ বাবে পদক্ষেপ লোৱা হৈছে।
- এই বিভাগৰ বাবে মই ১১১.৮২ কোটি টকাৰ আবণ্টন দিলোঁ।

## মীন বিভাগ

*থলুৱা মাছ, স্থানীয় কৰ্মসংস্থাপন*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত মীন বিভাগটোৱে আভ্যন্তৰীণ (inland) মৎস্য উৎপাদনৰ ক্ষেত্ৰত চতুৰ্থ আৰু সামগ্ৰিকভাৱে দেশৰ ভিতৰত দ্বাদশ স্থান অধিকাৰ কৰি গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিত উপনীত হ'বলৈ সক্ষম হয়। উন্নত মানৰ মাছৰ পোনা উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনক অধিক সামৰ্থ্যবান কৰি প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাখনৰ শুভাৰম্ভৰ ফলত ৩৩টা স্বচ্ছ পানী (Fresh Water)ৰ মাছ পোনা উৎপাদন কেন্দ্ৰ ( Hatchery) স্থাপন কৰা হয়। উল্লেখযোগ্যভাৱে, এক শক্তিশালী মৎস্য আন্তঃগাঁথনি গঢ়ি তোলাৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত কৰি গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF) - XXVIIIৰ অধীনত ১৯ খন মৎস্য/মাছৰ পোনা উৎপাদনকাৰী পাম নিৰ্মাণৰ বাবে ৬০ কোটি টকা আবণ্টন দিয়া হৈছে। ৩০ লাখ 'এডভান্সড ফিছ ফিংগাৰলিঙ'ৰ মজুতকৰণ আৰু ১৫০ হেক্টৰ ভূমিত বিল মীনপামৰ নিৰ্মাণে মৎস্য উৎপাদন বৃদ্ধিৰ বাবে আমাৰ প্ৰচেষ্টাকে সূচায়।
- অনাগত বিত্তীয় বৰ্ষটোত অধিক সবল পোনা উৎপাদনজনিত পদক্ষেপ গ্ৰহণ, সংহত মীন ৰূপান্তৰকৰণৰ বাবে প্ৰকল্প গ্ৰহণ আৰু ষ্টকিং কাৰ্যসূচীৰ প্ৰসাৰ আদিৰ ওপৰত আমাৰ প্ৰচেষ্টা কেন্দ্ৰীভূত থাকিব। কিষাণ ক্ৰেডিত কাৰ্ড, বীমা আঁচনি আৰু ব্যাপক প্ৰশিক্ষণ কাৰ্যসূচী আদিৰ দৰে পদক্ষেপৰ জৰিয়তে মীনপালকসকলক সহযোগিতা আগবঢ়োৱাৰ বাবে আমাৰ প্ৰচেষ্টা অব্যাহত থাকিব।
- ৪,০০০ হেক্টৰ ৰাজ্যিক বিল মীনপামৰ সংৰক্ষণৰ লক্ষ্যৰে হাতত লোৱা ছুইফ্‌ট (SWIFT) প্ৰকল্পৰ শুভাৰম্ভই মীন ক্ষেত্ৰৰ বহনক্ষম উন্নয়নৰ প্ৰতি আমাৰ দায়বদ্ধতাকে সূচায়। এই প্ৰচেষ্টাসমূহৰ স্বীকৃতিস্বৰূপে বিশ্ব মৎস্য পালন সন্মিলন, ২০২৩ত ৰাজ্যখনে তিনিটা সন্মানজনক ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। ই ৰাষ্ট্ৰীয় পৰ্যায়ৰ মীনক্ষেত্ৰত অসমৰ উৎসৰ্গীকৃত মনোভাৱকে সূচায়।
- মই ইয়াৰ দ্বাৰা বিভাগটোলৈ ১৬৬.৩৭ কোটি টকা আবণ্টন আগবঢ়ালোঁ।

## খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

*সকলোৰে বাবে খাদ্য, ক্ষুধামুক্ত অসম*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (NFSA)ৰ হিতাধিকাৰীৰ আধাৰ সংযোগীকৰণৰ কাম ৰেচন কাৰ্ডৰ বিপৰীতে ৯৯ শতাংশ আৰু হিতাধিকাৰীৰ বিপৰীতে ৯৮ শতাংশ সম্পূৰ্ণ হোৱাটো উল্লেখনীয় ই ৰাষ্ট্ৰীয় গড় হাৰ ৯৫ শতাংশক অতিক্ৰম কৰিছে। ৰাজ্যখনে যোৱা ডিচেম্বৰ ২০২৩ত ইলেক্ট্ৰ'নিক পইণ্ট অব্‌ ছেল (E-PoS) ব্যৱস্থাৰ জৰিয়তে ৯৬ শতাংশ চাউলৰ লেনদেন সম্পন্ন কৰি উল্লেখনীয় সফলতা আহৰণ কৰিছে। অন্ন সেৱা সপ্তাহ আৰু অন্ন সেৱা দিন উদ্‌যাপন কৰাৰ সময়ত যথাক্ৰমে ৯৫ শতাংশ আৰু ৯৬ শতাংশ অনলাইন লেনদেন সমাপন কৰাটো গুৰুত্বপূৰ্ণ সাফল্য বুলি ক'ব পাৰি।
- ৫,০০,০০০ মেট্ৰিক টনতকৈও অধিক ধান ক্ৰয়ৰ ফলত ৬৫,০০০ তকৈও অধিক কৃষক উপকৃত হৈছে আৰু প্ৰায় ১,১০০ কোটি টকা তেওঁলোকৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হৈছে।
- ২০২৪-২৫ বিত্তীয় বৰ্ষত বিভাগে আধাৰ সংলগ্নকৰণ অব্যাহত ৰখাৰ লগতে অনলাইন লেনদেনৰ ব্যৱহাৰ বৃদ্ধি আৰু খাদ্য সুৰক্ষাৰ অন্যান্য প্ৰত্যাহ্বানসমূহ নিৰসন কৰিব বিচাৰে। আমি প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাৰ লগতে 'এক ৰাষ্ট্ৰ এক ৰেচন কাৰ্ড' আঁচনি ৰূপায়ণ আৰু ধান ক্ৰয়ৰ ক্ষেত্ৰত থকা লক্ষ্য পূৰণ আদিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিম।
- ইয়াৰ দ্বাৰা মই এই বিভাগৰ বাবে ৭৭৬.৩৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰোঁ।

## সাধাৰণ প্ৰশাসন বিভাগ

*প্ৰশাসনিক সমন্বয় সাধন*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত সাধাৰণ প্ৰশাসন বিভাগে উল্লেখযোগ্য মাইলৰ খুঁটিত উপনীত হৈছে। যোৱা ছেপ্টেম্বৰ মাহত ভেলোৰত অসম ভৱন মুকলি কৰা হৈছে আৰু ই সম্পূৰ্ণৰূপে কাৰ্যক্ষম হৈ উঠিছে। ইয়াৰ জৰিয়তে চিকিৎসা আৰু শিক্ষাৰ উদ্দেশ্যে অসমৰ পৰা যোৱা লোকসকলে অত্যাৱশ্যকীয় সেৱা লাভ কৰি আছে। বাংগালুৰুত নিৰ্মীয়মাণ অৱস্থাত থকা অসম ভৱনৰ কাম সঠিক দিশেৰে অগ্ৰগতি লাভ কৰিছে আৰু ২০২৪ বৰ্ষৰ আৰম্ভণিতে ইয়াৰ কাম সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য পদক্ষেপসমূহৰ ভিতৰত আছে— বদলিকৰণ নীতিৰ প্ৰৱৰ্তন আৰু সকলো জিলাতে ই-অফিচ ৰূপায়ণ।
- অনাগত ২০২৪-২৫ বিত্তীয় বৰ্ষত বিভাগটোৱে গ্ৰহণ কৰিবলগীয়া পদক্ষেপসমূহৰ ভিতৰত আছে ই-অফিচ ৰূপায়ণক অধিক আগুৱাই নিয়া, বেতকুছিত সংহত সঞ্চালকালয় চৌহদ সম্পূৰ্ণ কৰা আৰু ৰাজ্যিক সৰ্বোচ্চ অসামৰিক বঁটা প্ৰদান অনুষ্ঠান আয়োজন কৰা। অ-ৰাজপত্ৰিত কৰ্মচাৰীসকলক স্বীকৃতি প্ৰদান কৰিবলৈ অব্যাহত ৰখা লোকসেৱা পুৰস্কাৰে এই ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতাকে সূচায়। অধিক সংখ্যক নাগৰিকক সামৰি তেওঁলোকলৈ অধিকতৰ সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত এক পঞ্জীয়কৰ ভূমিকা গ্ৰহণ কৰি বিভাগে আধাৰ সংপৃক্তকৰণৰ প্ৰসাৰৰ লক্ষ্যও লৈছে।
- মই ইয়াৰ দ্বাৰা এই বিভাগটোৰ বাবে ১,৩৬৬.৩০ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিলোঁ।

## হস্তশিল্প, বস্ত্ৰ আৰু ৰেচম বিভাগ

*সপোনৰ সূতা কাটি*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত বিভাগটোৱে অসমৰ চহকী হস্তশিল্প আৰু ৰেচম পৰম্পৰাৰ সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য মাইলৰ খুঁটি অৰ্জন কৰে। হস্তশিল্প খণ্ডৰ সৈতে জড়িত ১২ লাখৰো অধিক লোকৰ অৰ্থনৈতিক উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি শিপিনীসকলক সবলীকৰণৰ বাবে 'স্বনিৰ্ভৰ নাৰী'ৰ দৰে পদক্ষেপ আৰম্ভ কৰা হয়। সংহত হস্তশিল্প উদ্যান আৰু আদৰ্শ গাঁও, সোণালী ৰেচম উদ্যান আৰু ৰেচম মহাবিদ্যালয় স্থাপনে ৰেচম খণ্ডত বহনক্ষম পদ্ধতিৰ প্ৰয়োগ আৰু এক দক্ষ কৰ্মশক্তি গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্যখনৰ দায়বদ্ধতাকে সূচায়।
- পৰৱৰ্তী বিত্তীয় বৰ্ষৰ প্ৰতি লক্ষ্য ৰাখি বিভাগটোৱে নুনী সূতা বেংক আৰু অমৃত সৰোবৰ স্থাপনৰ লক্ষ্য লৈছে যাতে উৎপাদনত অধিক সহায়-সহযোগিতা আগবঢ়াই শিপিনীসকলৰ জীৱিকা সুৰক্ষিত তথা অসম ৰেচমৰ ঐতিহ্যক প্ৰসাৰ কৰিব পাৰি।
- এই বিভাগটোৰ বাবে মই ৩৫২.২৯ কোটি টকা আবণ্টন দিছোঁ।

## স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

*সুস্থতাৰ অনুকূলে*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত মেনুৱেল পঞ্জীয়ন বন্ধ কৰি 'সেৱা সেতু'ৰ জৰিয়তে জন্ম আৰু মৃত্যুৰ অনলাইন পঞ্জীয়ন আৰম্ভ কৰা হৈছে। সেৱা যোগনিয়াৰ আৰু স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ গুণগত সেৱাৰ মান মূল্যাংকন কৰিবলৈ দুটা পৰ্যায়ত স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত কৰা হৈছে। এই স্বাস্থ্য সেৱা উৎসৱ প্ৰতি বছৰে আয়োজন কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় কাৰ্যসূচীৰ অধীনত বহু সংখ্যক ৰোগীয়ে বিনামূলীয়া চিটি স্কেন আৰু এক্স-ৰে সেৱাৰ সুবিধা লাভ কৰিছে। চৰকাৰী চিকিৎসালয়সমূহত অত্যাৱশ্যকীয় ঔষধসমূহ বিনামূলীয়াকৈ যোগান ধৰাৰ বাবে 'বিনামূলীয়া ঔষধ সেৱা'ৰ লেখীয়া পদক্ষেপৰ জৰিয়তে সেৱা প্ৰদান অব্যাহত ৰখা হৈছে।
- প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলিচিছ কাৰ্যসূচী, শিশুৰ জন্মগত হৃদৰোগৰ বাবে বিনামূলীয়া চিকিৎসা আৰু চাহ বাগিচা অঞ্চলৰ গৰ্ভৱতী মহিলাৰ বাবে মজুৰি ক্ষতিপূৰণ আঁচনিকে ধৰি কেতবোৰ বিশেষ কাৰ্যসূচীৰ জৰিয়তে ব্যাপক স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে। উৎসৰ্গীকৃত কল চেণ্টাৰৰ জৰিয়তে সপ্তাহৰ প্ৰতিদিনে ২৪ ঘণ্টাই মানসিক স্বাস্থ্য সন্দৰ্ভত পৰামৰ্শ প্ৰদান কৰাৰ বাবে Tele Mental Health Assistance আৰু Networking Across States স্থাপন কৰা হৈছে। শিশুৰ মৃত্যু আৰু জটিল ৰোগৰ হাৰ হ্ৰাস কৰাৰ বাবে সাৰ্বজনীন টিকাকৰণ আঁচনি, পলিঅ' প্ৰতিষেধক কাৰ্যসূচী আৰু মিছন ইন্দ্ৰধনুষ ৫.০ ব্যাপকভাৱে ৰূপায়ণ কৰি থকা হৈছে।
- আয়ুষ সঞ্চালকালয়লৈ স্বাস্থ্য সেৱাৰ সম্প্ৰসাৰণে চৰকাৰৰ চিকিৎসা সেৱাৰ ক্ষেত্ৰত থকা দায়বদ্ধতাকে প্ৰতিফলিত কৰিছে। ইতিমধ্যে মাজুলী আৰু দুধনৈত ৫০ খন বিছনাযুক্ত দুখন নতুন আয়ুৰ্বেদিক চিকিৎসালয় কাৰ্যক্ষম কৰি তোলা হৈছে।
- মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় কাৰ্যসূচী, চাহ বাগিচা অঞ্চলৰ গৰ্ভৱতী মহিলাৰ বাবে মজুৰি ক্ষতিপূৰণ আঁচনি আৰু শিশুসকলৰ জন্মগত হৃদৰোগৰ বাবে বিনামূলীয়া চিকিৎসা আঁচনিৰ লেখীয়া গুৰুত্বপূৰ্ণ কাৰ্যসূচী অব্যাহত ৰখা হ'ব।
- মই ইয়াৰ দ্বাৰা বিভাগটোলৈ ৫,৩৫৪.৬৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## উচ্চ শিক্ষা বিভাগ

*শিক্ষাই স্বাধীনতাৰ চাবি-কাঠী*

- ২০২৩-২৪ বৰ্ষত ডিমা হাচাওত নতুন পলিটেক্‌নিক নিৰ্মাণৰ ৯৪ শতাংশ আৰু টিংখঙত ৯৩ শতাংশ কাম সম্পূৰ্ণ কৰি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ দিশত উচ্চ শিক্ষা বিভাগটোৱে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। অসম অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়ত হোষ্টেল নিৰ্মাণ প্ৰকল্পৰ কামৰ ক্ষেত্ৰত ক্ৰমে ১০০ শতাংশ আৰু ৮০ শতাংশ অগ্ৰগতি লাভ কৰা হৈছে।
- টাটা উৎকৰ্ষ সাধন কেন্দ্ৰৰ জৰিয়তে নলবাৰী, শোণিতপুৰ আৰু চিৰাং পলিটেক্‌নিকত দক্ষতা বিকাশৰ শ্ৰেণী আৰম্ভ কৰা হৈছে। উচ্চ শিক্ষা সঞ্চালকালয়ে স্কুটী বিতৰণ, মাচুল ৰেহাইৰ বাবে পৰ্যাপ্ত পুঁজি মুকলি, বিনামূলীয়া পাঠ্যপুথি, গতিশীলতা অনুদান আৰু মেছ মাচুল ৰেহাইৰে ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ বাবে অগ্ৰাধিকাৰ প্ৰদান কৰিছে। তেজপুৰ বিশ্ববিদ্যালয়ত ক্ৰীড়া আন্তঃগাঁথনিৰ বাবে বিত্তীয় আবণ্টন আৰু শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ বাবে আন্তঃগাঁথনিমূলক অনুদানেৰে শৈক্ষিক আৰু এথলেটিকৰ প্ৰসাৰ সাধনত ব্যাপক পদক্ষেপ গ্ৰহণ কৰা হৈছে।
- ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰতি লক্ষ্য ৰাখি চলি থকা নিৰ্মাণ প্ৰকল্প সম্পূৰ্ণ কৰা, চিনাক্তকৃত পলিটেক্‌নিকসমূহত দক্ষতা বিকাশমূলক শ্ৰেণী আৰম্ভ কৰা আৰু দক্ষ ডিজিটেল প্ৰশাসনৰ বাবে Samarth e-Govt Suiteৰ ৰূপায়ণৰ কাৰণে বিভাগে লক্ষ্য নিৰ্ধাৰণ কৰিছে। ৭ খন মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ সিদ্ধান্ত আৰু মহাবিদ্যালয় সেৱা নিযুক্তি পৰিষদ (College Services Recruitment Board) গঠনে উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক শক্তিশালী কৰাৰ দিশত আমাৰ কৌশলগত প্ৰচেষ্টাকে সূচায়। শৈক্ষিক সম্প্ৰসাৰণ, কৰ্মচাৰী নিযুক্তি আৰু সাহিত্যিক পেঞ্চন প্ৰৱৰ্তনৰ জৰিয়তে শক্তিশালী শৈক্ষিক পৰিৱেশ ৰচনাৰ ক্ষেত্ৰত বিভাগটোৰ উৎসৰ্গিত মনোভাৱৰ প্ৰতিফলন ঘটিছে।
- মই ইয়াৰ দ্বাৰা বিভাগটোলৈ ৩,২৮০.০৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## পাৰ্বত্য এলেকা বিভাগ

*সৰগৰ জিলিঙনি*

- বিগত ২০২৩-২৪ বিত্তীয় বৰ্ষত পাৰ্বত্য এলেকা বিভাগে স্বায়ত্তশাসিত পৰিষদসমূহৰ উন্নয়নৰ বাবে পৰ্যাপ্ত বিত্তীয় আবণ্টন লাভ কৰিছে। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ বাবে ১৫০ কোটি টকাৰ বিশেষ অনুদানসহ ৪০০ কোটি টকাৰ আবণ্টন লাভ এক বিশেষ সফলতা আছিল। ইয়াৰ উপৰি, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদলৈ ২২০ কোটি টকা আৰু ১২৫ কোটি টকাৰ বিশেষ অনুদান আবণ্টিত হৈছিল।
- এই বিভাগলৈ মই ৩,২৪৮.০৩ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিলোঁ।

## গৃহ বিভাগ

*শান্তিৰ অভিভাৱক*

- বিগত বৰ্ষত অসম আৰক্ষীয়ে বহুমুখী পদক্ষেপেৰে উল্লেখনীয় সফলতা লাভ কৰিছে। তাৰ ভিতৰত অন্যতম হৈছে সন্ত্ৰাসবিৰোধী অভিযান য'ত ১,২০০ ৰো অধিক উগ্ৰপন্থীয়ে আত্মসমৰ্পণ কৰিছে। নিচাযুক্ত দ্ৰব্য আৰু ড্ৰাগছৰ বিৰুদ্ধে চলোৱা কঠোৰ অভিযানৰ ফলত ২০২১ বৰ্ষৰ মে' মাহৰ পৰা ২০২৪ বৰ্ষৰ জানুৱাৰীৰ ভিতৰত ১,৮০০ কোটি টকাৰো অধিক মূল্যৰ ১৬০ কিলোগ্ৰামতকৈ অধিক পৰিমাণৰ হেৰ'ইন, ৩১,০০০ কিলোগ্ৰাম গাঞ্জা আৰু অন্য সামগ্ৰী উদ্ধাৰ কৰা হৈছে।
- অসমৰ সামগ্ৰিক আইন-শৃংখলা পৰিস্থিতি উন্নত হৈছে। প্ৰমাণস্বৰূপে ৰাজ্যত অপৰাধৰ সংখ্যা ২০২১ বৰ্ষত এক লাখৰ পৰা ২০২৩ বৰ্ষত ৬৩,০০০ লৈ হ্ৰাস পাইছে আৰু দোষী সাব্যস্তকৰণৰ হাৰ ৬ শতাংশৰ পৰা ১৬ শতাংশলৈ বৃদ্ধি পাইছে। সংযুক্ত মুক্তি বাহিনী, অসম (আলফা)ৰ সৈতে ২০২৩ চনৰ ডিচেম্বৰত সম্পন্ন শান্তি চুক্তিকে ধৰি বিভিন্ন সন্ত্ৰাসবাদী সংগঠনৰ সৈতে স্বাক্ষৰিত শান্তি চুক্তিসমূহৰ বাবে হোৱা শান্তি-আলোচনাৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অসমৰ অধিকাংশ অঞ্চলৰ পৰা সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইনৰ প্ৰত্যাহাৰে উন্নত নিৰাপত্তা পৰিস্থিতিৰ দিশত পৰ্যায়ক্ৰমে হোৱা পৰিৱৰ্তনৰ লগতে অসূয়া-অপ্ৰীতি আৰু সন্ত্ৰাসৰ দশকসমূহৰ অন্ত পৰাটোকে সূচিত কৰিছে।
- মানৱ অধিকাৰ উলংঘনৰ এক অন্যতম দৃষ্টান্ত বাল্য বিবাহ ৰোধৰ প্ৰতি অসম আৰক্ষী প্ৰতিশ্ৰুতিবদ্ধ। উপযুক্ত বিধিৰ অধীনত এই ক্ষেত্ৰত বিশেষ অভিযান চলাই পাঁচ হেজাৰৰো অধিক গোচৰ ৰুজু কৰা হৈছে আৰু চাৰি হেজাৰৰো অধিক লোকক গ্ৰেপ্তাৰ কৰা হৈছে।
- ১৪,৬৪৩ গৰাকী আৰক্ষী জোৱানৰ নিযুক্তিয়ে আৰক্ষী বাহিনীক শক্তিশালী কৰা আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত আমাৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰিছে।
- ভৱিষ্যতে অসম আৰক্ষীয়ে ইতিমধ্যে মূলসুঁতিলৈ ঘূৰি অহা বিভিন্ন উগ্ৰপন্থী সংগঠনৰ সাত সহস্ৰাধিক আত্মসমৰ্পণকাৰী সদস্যৰ পুনৰ সংস্থাপনৰ দিশত মনোযোগ দিছে।
- নতুন কামাণ্ডো বেটেলিয়ন শিবিৰ, আৰক্ষী থানা আৰু নিম্ন পৰ্যায়ৰ কৰ্মচাৰীৰ আৱাসগৃহ নিৰ্মাণ, ডিজিটেল অপৰাধী কাৰ্যকলাপে সৃষ্টি কৰা প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ বাবে চাইবাৰ আৰক্ষী থানা আৰু আৰক্ষী চকী স্থাপন আৰু চি চি টিভি কেমেৰা স্থাপন আদিৰ দৰে পদক্ষেপেৰে আন্তঃগাঁথনিমূলক উন্নয়নতো অগ্ৰাধিকাৰ দিয়া হৈছে। একে সময়তে আৰক্ষী কৰ্মচাৰীৰ বাবে গৃহ নিৰ্মাণ আঁচনি, কাৰাগাৰৰ আধুনিকীকৰণ আৰু ৰাজ্যত সামগ্ৰিক ন্যায় ব্যৱস্থা শক্তিশালী কৰাৰ বাবে ফৰেনছিক বিজ্ঞানৰ ক্ষেত্ৰতো অসম আৰক্ষী সক্ৰিয়ভাৱে জড়িত হৈ আহিছে।
- এই বিভাগলৈ মই ৮,১৪৩.৯৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ

*উন্নত মহানগৰৰ পৰিকল্পনা*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত নগৰ উন্নয়ন বিভাগে ১০ খন মহানগৰৰ বিকাশ সাধনৰ উদ্ভাৱনমূলক ধাৰণাৰ পৰিকল্পনা কৰিছে, যাৰ বাবে তিনি বছৰলৈ প্ৰতিটো নগৰীয়া স্থানীয় নিকায়ৰ বিপৰীতে ১০ কোটি টকাকৈ ধাৰ্য কৰা হৈছে।
- জাপান আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সংস্থা (JICA)ৰ সাহায্যপ্ৰাপ্ত Guwahati South Central Groundwater Supply Projectৰ ৩টা ৰিজাৰ্ভাৰৰ দ্বাৰা দৈনিক ১৭,০০০ তকৈ অধিক পৰিয়াললৈ পানীযোগান ধৰি থকা হৈছে আৰু অতিৰিক্ত ৰিজাৰ্ভাৰকেইটা ২০২৪ চনৰ জুন মাহৰ ভিতৰত কাৰ্যক্ষম হৈ উঠিব বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ আঠটা আইক'নিক প্ৰকল্পৰ অন্যতম প্ৰকল্প Deepor Beel Driveway Nirmanৰ লক্ষ্য হৈছে পৰিবেশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ এই বিলখনৰ সামগ্ৰিক সংৰক্ষণ আৰু পুণৰুজ্জীৱিতকৰণ।
- অহা বৰ্ষটোতো নগৰীয় আন্তঃগাঁথনি উন্নয়ন পুঁজি, মহানগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি আৰু উদ্ভাৱন, সংহতকৰণ, বহনক্ষমতাৰ বাবে মহানগৰ বিনিয়োগ ২.০ (CITIIS 2.0)ৰ লগতে ৰাজ্যিক সাহায্যপ্ৰাপ্ত অন্যান্য আঁচনিসমূহৰ সহযোগিতাত বিভাগটোৱে মহানগৰসমূহৰ বাবে সৰ্বোৎকৃষ্ট আন্তঃগাঁথনি নিৰ্মাণ কৰিবলৈ সকলোধৰণৰ প্ৰচেষ্টা চলাব।
- গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু অসম ঔদ্যোগিক উন্নয়ন নিগমে জাগীৰোডত পূৰ্বৰ নগাঁও কাগজ কলৰ ভূমিত এখন ঔদ্যোগিক নগৰ নিৰ্মাণ কৰিব। ইয়াৰ কাম অতি সোনকালে আৰম্ভ হোৱাৰ আশা কৰা হৈছে। ইয়াৰ উপৰি গুৱাহাটীৰ সমীপত এনেধৰণৰ কেইবাখনো উপগ্ৰহীয় নগৰ বিকাশৰ পৰিকল্পনা কৰি থকা হৈছে। আনহাতে ফাটীবজাৰত থকা পাইকাৰী বজাৰখন মহানগৰীৰ উপকণ্ঠীয় অঞ্চললৈ স্থানান্তৰ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। এই পদক্ষেপৰ লক্ষ্য হৈছে বাণিজ্যিক কাম-কাজ অব্যাহত ৰাখিও অঞ্চলটোত সৃষ্টি হোৱা যান-জঁট হ্ৰাস কৰা।
- সেয়েহে মই এই বিভাগলৈ ৩,০৮৪.৫৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## অসম চুক্তি ৰূপায়ণ বিভাগ

*প্ৰতিশ্ৰুতি ৰক্ষা*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত অসম চুক্তি ৰূপায়ণ বিভাগে অসম চুক্তিৰ ক্ষিপ্ৰ আৰু ফলপ্ৰসূ ৰূপায়ণৰ প্ৰতি থকা নিজৰ দায়বদ্ধতা সফলতাৰে প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। বিগত ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত অসম আন্দোলনৰ নিৰ্যাতিত কল্যাণ ন্যাসলৈ ৭ কোটিতকৈ অধিক টকাৰ আবণ্টন দিয়া হৈছে। টাৰ্ম ডিপোজিটত জমা ৰখা ধনৰ পৰা আৰ্জিত সুদৰ জৰিয়তে নিৰ্যাতিত পৰিয়ালৰ নিবনুৱা যুৱক-যুৱতীক বিত্তীয় সাহায্য প্ৰদান কৰাৰ লগতে তেওঁলোকৰ উচ্চ শিক্ষা, চিকিৎসা, বিবাহ সাহায্য আদি বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰা হৈছে ।
- তদুপৰি, ২০২৩-২৪ বিত্তীয় বৰ্ষত নিৰ্যাতিত পৰিয়ালক এককালীন সাহায্য অনুদান দিয়াৰ বাবে ৭ কোটি টকাৰ আবণ্টন দিয়া হৈছিল আৰু অনুদান বিতৰণৰ ব্যৱস্থা সক্ৰিয়তাৰে চলাই থকা হৈছে। অসম আন্দোলনৰ ঐতিহাসিক তাৎপৰ্যক অনুধাৱন কৰি এই সন্দৰ্ভত এখন তথ্যচিত্ৰ নিৰ্মাণ কৰাৰ বাবে ৫০ লাখ টকা ধাৰ্য কৰা হৈছে।
- আনহাতে, এই বিভাগে প্ৰায় ৩০০ টা পুথিভঁৰাললৈ অসম আন্দোলনৰ ইতিহাস আৰু ঘটনা সম্পৰ্কীয় তথ্যকোষ পুস্তিকা বিতৰণ কৰাৰ লগতে ২০২৩ চনৰ ১০ ডিচেম্বৰত শ্বহীদ দিৱস উদ্‌যাপনৰ সময়ত সজাগতামূলক আৰু শিক্ষামূলক কাৰ্যসূচী গ্ৰহণ কৰে।
- বিভাগটোৱে আবণ্টিত পুঁজিৰ বিতৰণ, নিৰ্যাতিত পৰিয়াললৈ সাহায্য প্ৰদান আৰু তথ্যচিত্ৰ প্ৰকল্পটো আগুৱাই নিয়াকে ধৰি অসম আন্দোলনৰ ঐতিহাসিক গুৰুত্বক দাঙি ধৰাৰ বাবে বিভিন্ন কাম-কাজ আব্যাহত ৰখাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে।
- মই এই বিভাগৰ বাবে ৬.৪৭ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু সংস্কৃতি বিভাগ

*সংস্কৃতি আৰু পৰম্পৰাৰ সংৰক্ষণ*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু সংস্কৃতি বিভাগে অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু বিকাশৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। খিলঞ্জীয়া আৰু জনজাতীয় পৰম্পৰাৰ ৰক্ষণাবেক্ষণৰ দিশত থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ চিন স্বৰূপে ১৮ টা সংগঠন আৰু ৭০ টাতকৈ অধিক উপাসনাস্থলীলৈ সাহায্য অনুদান আগবঢ়োৱা হৈছে।
- 'আন্তঃ সম্প্ৰদায় সম্পৰ্ক আৰু পাৰস্পৰিক সন্মান'ৰ লেখীয়া কাৰ্যসূচীৰ জৰিয়তে সাংস্কৃতিক বন্ধন শক্তিশালী কৰাৰ লগতে পাৰস্পৰিক বুজাবুজি অধিক উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে। ১৫০ টাতকৈ অধিক পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিস্তম্ভ সংৰক্ষণ, ইউনেস্কোলৈ এখন মনোনয়ন ডছিয়াৰ প্ৰেৰণ আৰু আন্তৰ্জাতিক মঞ্চৰ সভাত অংশগ্ৰহণৰ দৰে পদক্ষেপৰ জৰিয়তে পুৰাতত্ত্ব সঞ্চালকালয়ে গুৰুত্বপূৰ্ণ সফলতা লাভ কৰিছে। বিশ্ব ঐতিহ্য সপ্তাহ ২০২৩

আৰু World Heritage Panel Dedicated Meeting ৰ দৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চতো বিশ্ব সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি থকা অসমৰ উৎসৰ্গিত মনোভাৱক গুৰুত্ব প্ৰদান কৰিছে।

- বিভাগটোৱে যোৱা বছৰৰ সফলতাসমূহক অধিক আগুৱাই নিয়াৰ পৰিকল্পনা গ্ৰহণ কৰিছে। সাংস্কৃতিক সংগঠন আৰু উপাসনাস্থলীক সাহায্য অনুদান আগবঢ়োৱাৰ ব্যৱস্থাটো অগ্ৰাধিকাৰ ভিত্তিত অব্যাহত ৰখা হ'ব। পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিস্তম্ভসমূহৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টা বাহাল ৰখাৰ লগতে পৰ্যটনস্থলীসমূহৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব।
- অসম ৰাজ্যিক সংগ্ৰহালয়ৰ দ্বিতীয় চৌহদ স্থাপনৰ দৰে পদক্ষেপৰ লগতে ডিজিটেল প্ৰৱেশ পত্ৰ আৰু ডিজিটেল অভিলেখাগাৰকে ধৰি ডিজিটেল ব্যৱস্থাৰ অধিক সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে যাতে, সাংস্কৃতিক সম্পদসমূহক জনসাধাৰণৰ অধিক কাষ চপাই নিয়াৰ লগতে ইয়াৰ আধুনিকীকৰণ কৰিব পৰা যায়। অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বিকাশৰ উদ্দেশ্যে নতুন সংগ্ৰহালয়ৰ বাবে নিৰ্মাণ প্ৰকল্প গ্ৰহণ কৰাৰ লগতে শিক্ষানুষ্ঠানসমূহৰ সৈতে সহযোগিতামূলক সম্পৰ্ক স্থাপন কৰাৰ প্ৰয়াস কৰা হৈছে।
- মই এই বিভাগৰ বাবে ৭৮.৩১ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ

*বিনিয়োগৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি*

- মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান, বৃহৎ বিনিয়োগ আকৰ্ষণ কৰাৰ লগতে ৰাজ্যখনক এক বিনিয়োগ হাব্ হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে ২০২৪ বৰ্ষৰ নৱেম্বৰ মাহত গোলকীয় বিনিয়োগ সন্মিলন (২০২৪)ৰ আয়োজন, অসমৰ ঔদ্যোগিক বিনিয়োগ নীতি আৰু অসম ইলেক্ট্ৰ'নিক্স (ছেমি-কণ্ডাক্টৰ আদি) নীতিৰ অধীনত স্ব-নিৰ্ধাৰিত উদ্‌গনি, অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ প্ৰতিষ্ঠানৰ বাবে ঋণ নিশ্চিতি আঁচনি, উদ্যোগ আৰম্ভণি পুঁজি আৰু ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ উন্নয়ন সাধনো ২০২৪-২৫ বিত্তীয় বৰ্ষত বিভাগটোৰ আন কেইটামান লক্ষ্য। মই ইতিমধ্যে এই বিভাগৰ কিছু ধ্বজাবাহী আচঁনিৰ বিষয়ে উল্লেখ কৰিছো।
- মই ইয়াৰ দ্বাৰা বিভাগটোলৈ ১,৬৬৭.৫৬ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিছো।

## তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগ

*ব্যৱধান দূৰীকৰণেৰে জনসাধাৰণৰ মাজত সম্পৰ্ক স্থাপন*

- অধ্যক্ষ মহোদয়, সাংবাদিক চিকিৎসা কল্যাণ আঁচনিৰ জৰিয়তে প্ৰায় ১৫ লাখ টকা ব্যয়েৰে ৪০ গৰাকীতকৈয়ো অধিক সাংবাদিকলৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে। মাধৱপুৰ ঘেড় (Ghed)মেলাৰ লেখীয়া অনুষ্ঠানলৈ সাংবাদিকৰ ভ্ৰমণ সুচাৰুৰূপে সম্পন্ন কৰা হৈছে আৰু চেন্নাই আৰু ভেলোৰত চৰকাৰৰ সফলতা প্ৰদৰ্শন কৰা হৈছে। 'অসম বাৰ্তা' নামৰ মাহেকীয়া ই-নিউজ লেটাৰৰ জৰিয়তে ৪ নিযুতৰো অধিক নিয়মীয়া পঢুৱৈক সামৰি লোৱা হৈছে। ইয়াৰ উপৰি ৰাজ্যিক বঁটা প্ৰদান আৰু চৰকাৰী সফলতাৰ লগত সংগতি ৰাখি 'মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলন' আদিৰ দৰে পুস্তিকা প্ৰকাশ কৰা হৈছে। লখিমপুৰত অসম চৰকাৰী ছপাশালৰ এটা নতুন শাখা খুলি স্থানীয় ছপাশালৰ প্ৰয়োজন পূৰণ কৰা হৈছে।
- এই দিশত আৰু এখোজ আগুৱাই গৈ বিভাগটোৱে ইয়াৰ প্ৰচাৰমূলক পদক্ষেপৰ সম্প্ৰসাৰণ, 'অসম বাৰ্তা'ৰ জৰিয়তে অনলাইন সক্ৰিয়তা আৰু সংবাদসেৱীসকললৈ চিকিৎসাৰ বাবে বিত্তীয় সাহায্য প্ৰদান আঁচনি অব্যাহত ৰখাৰ পৰিকল্পনা কৰিছে। তদুপৰি সাংবাদিকৰ ভ্ৰমণ কাৰ্যসূচীৰে বিভিন্ন গুৰুত্বপূৰ্ণ অনুষ্ঠান সামৰি লোৱা হ'ব। ইয়াৰ উপৰি তিতাবৰত অসম চৰকাৰী ছপাশালৰ শাখাৰ বাবে নিৰ্মাণ প্ৰকল্প সম্পূৰ্ণ কৰি ছপা কামৰ ক্ষেত্ৰত সামৰ্থ্য বৃদ্ধিৰ লগতে উত্তৰ উজনি অসমলৈ এই সেৱা ফলপ্ৰসূভাৱে আগবঢ়াবৰ বাবে পদক্ষেপ লোৱা হ'ব।
- মই এই বিভাগলৈ ১৭৪.৮২ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## তথ্য-প্ৰযুক্তি বিভাগ

*এখন শ্ৰেষ্ঠতৰ অসমৰ বাবে প্ৰযুক্তি*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত তথ্য-প্ৰযুক্তি বিভাগে অসমৰ সত্ৰ আৰু অন্যান্য ঐতিহাসিক স্থানৰ সাঁচিপাতৰ পুথি, হাতে লিখা পাণ্ডুলিপি আৰু 'তাম্ৰপত্ৰ'ক সাঙুৰি বিভিন্ন ঐতিহাসিক তথ্য-পাতিৰ ডিজিটেলকৰণৰ কাম আৰম্ভ কৰিছে। মাজুলীৰ অন্যান্য সত্ৰকে ধৰি বৰদোৱা সত্ৰক এই ডিজিটেলকৰণ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ অধীনত বৰদোৱা সত্ৰৰ ৬১৫ খন সাঁচিপতীয়া পুথিৰ (২৪,০০০ পৃষ্ঠা আকাৰৰ) ইতিমধ্যে ডিজিটেলকৰণ কৰা হৈছে। এটা ডিজিটেল অভিলেখাগাৰৰ উপৰি আৰু সাঁচিপতীয়া পুথিসমূহ প্ৰদৰ্শন কৰিবলৈ এটা প'ৰ্টেল নিৰ্মাণ কৰি থকা হৈছে যি পৰীক্ষণ পৰ্যায়ত আছে। তদুপৰি, গুৱাহাটী প্ৰযুক্তি নগৰীত এমণ্ট্ৰনে এটা ফাইভ-জি অভিজ্ঞতা কেন্দ্ৰ স্থাপন কৰিছে।
- অনাগত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় জ্ঞান নেটৱৰ্ক (National Knowledge Network - NKN)ৰ একে শাৰীত অসম জ্ঞান নেটৱৰ্ক (Assam Knowledge Network - AKN)ৰ জৰিয়তে বিভাগে শৈক্ষিক প্ৰতিষ্ঠানসমূহত সংযোগ প্ৰদানৰ লগতে ইণ্টাৰনেটৰ গতিবেগ বৃদ্ধিৰ লক্ষ্য লৈছে। ব্যৱহাৰকাৰীৰ বাবে ১ জি বি/১০০ এম বি পি এছ সুনিশ্চিত বেণ্ডউইথ নিশ্চিত কৰিব পৰাকৈ এ কে এনৰ এটা ১০০ জি বি পি এছ ৰিং বেকব'ন থাকিব। অহৰহ সংযোগ নিশ্চিত কৰিবলৈ চৰকাৰী কাৰ্যালয়সমূহক এই নেটৱৰ্কৰ সৈতে সংযোজিত কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলত বেণ্ডউইথৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি বিভাগটোৱে এক নতুন ইণ্টাৰনেচনেল ইণ্টাৰনেট গেটৱে (IIG) স্থাপনৰ পৰিকল্পনা কৰিছে।
- মই এই বিভাগটোক ১০৬.২৩ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## জলসিঞ্চন বিভাগ

*শুষ্কভূমি জীপাল*

- ২০২৩-২৪ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ৩০০ কোটি টকাতকৈ অধিক পুঁজিৰ ৯খন প্ৰধানমন্ত্ৰী কৃষি সিঞ্চায়ী যোজনা— হৰ খেত কো পানী — পৃষ্ঠীয় লঘু জলসিঞ্চন (PMKSY-HKKP-SMI) আঁচনিৰ ৰূপায়ণৰ সৈতে ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ জলসিঞ্চনৰ ক্ষেত্ৰত বিভাগে উল্লেখযোগ্য সফলতা লাভ কৰিছে। অতিৰিক্তভাৱে ৫৪খন গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF-XXIX) প্ৰাপ্ত আঁচনিৰ ৰূপায়ণো বিভাগৰ বৰ্তমানৰ প্ৰচেষ্টাসমূহৰ ভিতৰত অন্যতম।
- সংহত জলসিঞ্চন প্ৰকল্প পৰিকল্পনা আৰু নিৰীক্ষণ ব্যৱস্থা (IIPPMS) আৰু LiDAR জৰীপে পৰিকল্পনা প্ৰক্ৰিয়াৰ উন্নীতকৰণৰ লগতে বহনক্ষম সম্পদ পৰিচালনাৰ বাবে এটা তথ্য বেংক স্থাপনৰ ক্ষেত্ৰত বিভাগে আৰোপ কৰা গুৰুত্বকে সূচায়।
- অনাগত সময়ত বিভাগে প্ৰায় ৭৫০ কোটি টকা পুঁজিৰ ২০ খন আঁচনি আৰু গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি-XXIXৰ অধীনত বৰ্তমান চলি থকা প্ৰায় ৭০ কোটি টকা ব্যয়ৰ ৫৪ খন আঁচনি ৰূপায়ণৰ পৰিকল্পনা গ্ৰহণ কৰিছে। তদুপৰি, পৃষ্ঠীয় লঘু জলসিঞ্চন, দমকল, হাইব্ৰিড আঁচনি আৰু ৰাজ্যিক অগ্ৰাধিকাৰপ্ৰাপ্ত উন্নয়ন (SOPD), গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF), প্ৰধানমন্ত্ৰী কৃষি সিঞ্চায় যোজনা- ত্বৰান্বিত জলসিঞ্চন লাভালাভ কাৰ্যসূচী (PMKSY-AIBP) আদিৰ অধীনৰ প্ৰকল্পসমূহৰ ওপৰত আৰোপ কৰি অহা গুৰুত্ব অব্যাহত ৰাখি ৫৬,০০০ হেক্টৰতকৈ অধিক সম্ভাৱনীয়তা সৃষ্টিৰ লক্ষ্যৰে অসমে ব্ৰহ্মপুত্ৰ উপত্যকাত তিনিটা আৰু বৰাক উপত্যকাত দুটা প্ৰকল্প আৰম্ভ কৰিবলৈ সাজু হৈছে।
- মই এই বিভাগটোক ১,১৬২.৭৬ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## ন্যায়িক বিভাগ

*অধিকাৰৰ সুৰক্ষা, সকলোৰে বাবে ন্যায়ৰ নিশ্চিতি*

- অধ্যক্ষ মহোদয়, কোৱা হয় যে 'ন্যায় প্ৰদানত বিলম্বন হোৱাটো ন্যায় অস্বীকাৰ কৰাৰ সদৃশ'। আমাৰ ৰাজ্যৰ কোনো নাগৰিকে যাতে আইনৰ শাসন লাভৰ পৰা বঞ্চিত নহয় তাক নিশ্চিত কৰাৰ বাবে ন্যায় বিভাগে ন্যায় প্ৰদানক গুৰুত্ব দিয়ে। যাৰ জৰিয়তে অসমত অভিযোগকাৰীয়ে সময়মতে আৰু সহজে ন্যায় লাভ কৰাটো নিশ্চিত কৰা হয়।
- মই এই বিভাগলৈ ৮১৫.৬২ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## শ্ৰমিক কল্যাণ বিভাগ

*শ্ৰমিকৰ মুখত হাঁহি*

- এই বিভাগে সফলতাৰে ১৬টা সেৱা স্বয়ংক্ৰিয় কৰি ইয়াৰ প্ৰক্ৰিয়াসমূহ সুশৃংখলিত কৰি তুলিছে। শ্ৰম আয়ুক্ত নেতৃত্বাধীন গোটটোৱে ২০২৩ চনৰ সন্মানীয় কৰ্মশ্ৰী বঁটা লাভ কৰাটোৱে 'ইজ্ অব্ ডুয়িং বিজনেছ'ৰ ক্ষেত্ৰত বিভাগটোৱে লাভ কৰা সফলতাকে সূচায়। এটা সফল 'কৰ্মমাহ' পালন কৰি ৭০ গৰাকীতকৈও অধিক শিশু/কিশোৰ-কিশোৰী শ্ৰমিকক উদ্ধাৰ কৰাৰ লগতে নিয়ম ভংগকাৰী নিয়োগকৰ্তাৰ বিৰুদ্ধে ২৮ খন এজাহাৰ দাখিল কৰা হৈছে। ই-পঞ্জীয়ন মডিউলৰ প্ৰৱৰ্তনে নিৰ্মাণ ক্ষেত্ৰত শ্ৰমিকৰ পঞ্জীয়ন সহজসাধ্য কৰি তুলিছে। ৪০০ ৰো অধিক নতুন কাৰখানাৰ পঞ্জীয়নৰ ফলত ১৬,০০০ ৰো অধিক শ্ৰমিকক বিধিগত সুৰক্ষাৰ অধীনত অনাৰ লগতে কৰ্মচাৰী ৰাজ্যিক বীমা (ESI) আৰু ভৱিষ্য নিধি (PF) আঁচনিৰ দ্বাৰা হাজাৰ হাজাৰ কৰ্মী উপকৃত হৈছে।
- বিভাগটোৱে দক্ষ সেৱা প্ৰদানৰ উদ্দেশ্যে প্ৰযুক্তিৰ সহায় লৈ প্ৰক্ৰিয়াসমূহক অধিক ডিজিটাইজ কৰাৰ লক্ষ্য লৈছে। শিশু শ্ৰমিক নিৰ্মূলকৰণ, প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ (DBT)ৰ জৰিয়তে কল্যাণমূলক পুঁজিৰ বিতৰণ আৰু অনলাইন শুল্ক সংগ্ৰহৰ ক্ষেত্ৰত আমাৰ নিৰন্তৰ প্ৰচেষ্টা অব্যাহত থাকিব। আয়ুষ্মান ভাৰতৰ অধীনত চিকিৎসা সাহায্য প্ৰদানৰ লক্ষ্যৰে ৰাজ্যিক স্বাস্থ্য সংস্থাৰ সৈতে থকা সহযোগিতাৰ ক্ষেত্ৰত প্ৰদান কৰা অগ্ৰাধিকাৰ অব্যাহত থাকিব। নতুন কাৰখানাৰ পঞ্জীয়নৰ দ্বাৰা শ্ৰমিকসকলৰ বিধিগত সুৰক্ষা নিশ্চিতকৰণৰ ধাৰা অব্যাহত থাকিব। কৰ্মচাৰী ৰাজ্যিক বীমা (ESI) আৰু ভৱিষ্য নিধি (PF) আঁচনিৰ ওপৰত গুৰুত্ব প্ৰদানৰ লক্ষ্য হৈছে অধিক সদস্যৰ নামভৰ্তিকৰণৰ লগতে অত্যাৱশ্যকীয় সা-সুবিধা প্ৰদান কৰা।
- মই এই বিভাগটোৰ বাবে ১০২.৬৪ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## বিধায়িনী বিভাগ

*গণতন্ত্ৰৰ হৃদপিণ্ড*

- বিধায়িনী বিভাগে বিধায়িনী কাম-কাজ প্ৰদৰ্শন কৰি আহিছে, যিয়ে ৰাজ্যখনৰ আইনী পৰিকাঠামোলৈ প্ৰচুৰ বৰঙণি আগবঢ়াইছে। ২০২৩ বৰ্ষত এই বিভাগে বৰ্তমানৰ ২৮ খন আইনৰ সংশোধন আৰু ১১খন আইন বাতিল কৰাৰ লগতে ৮ খন নতুন আইন প্ৰণয়ন কৰিছে। অতিৰিক্তভাৱে বিভিন্ন প্ৰশাসনীয় বিভাগে চিনাক্ত কৰা আৱশ্যকতাসমূহৰ প্ৰতি সঁহাৰি জনাই ৮খন অধ্যাদেশ জাৰি কৰা হৈছে।
- এই বৰ্ষত বিভাগে বিভিন্ন আৱশ্যকতাৰ প্ৰতি সঁহাৰি জনাই নতুন আইন প্ৰণয়ন, বৰ্তমানে চলি থকা কেইবাখনো আইনৰ প্ৰাসংগিকতা অনুসৰি সংশোধন আৰু অপ্ৰাসংগিক আইনসমূহ বাতিলকৰণৰ লক্ষ্য লৈছে।
- মই এই বিভাগলৈ ২২.৫৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## চিকিৎসা বিজ্ঞান শিক্ষা আৰু গৱেষণা বিভাগ

*জ্ঞানেই সৰ্বোৎকৃষ্ট দৰব*

- কামৰূপত প্ৰথমখন সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইম্‌ছ)ৰ শুভাৰম্ভ আৰু ৰাজ্যখনত তিনিখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনেৰে বিভাগটোৱে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। অসম স্বাস্থ্য ব্যৱস্থা শক্তিশালীকৰণ প্ৰকল্প আৰু অসম ৰাজ্যিক মাধ্যমিক স্বাস্থ্যসেৱা পদক্ষেপ আদিৰ দৰে বৰ্হি সাহায্যপ্ৰাপ্ত প্ৰকল্প আদিয়ে বিশেষ শাখা আৰু জিলা চিকিৎসালয়ৰ নিৰ্মাণৰ লগতে চিকিৎসা পৰিচালনা ব্যৱস্থাৰ উন্নীতকৰণ আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।
- এই বৰ্ষত ডিব্ৰুগড় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয় ইন-ৱিট্ৰ' ফাৰ্টিলাইজেশ্যন (আই ভি এফ) কেন্দ্ৰ, শিলচৰ আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত বি ফাৰ্ম পাঠ্যক্ৰম আৰু গুৱাহাটীত সহযোগী স্বাস্থ্য বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ শুভাৰম্ভ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। ই ৰাজ্যখনৰ চিকিৎসা সেৱা শিক্ষা ব্যৱস্থাটোক অধিক শক্তিশালী কৰিব।
- মই ইয়াৰ দ্বাৰা বিভাগটোলৈ ২,৬৪৭.২৮ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## খনি আৰু খনিজ সম্পদ বিভাগ

*প্ৰাকৃতিক সম্পদৰ উদ্‌ঘাটন*

- এই বিভাগে ৰাজ্যখনৰ ভূগৰ্ভৰ সম্পদসমূহৰ উদ্‌ঘাটন, মূল্যৱান খনিজ আৰু ভূগৰ্ভৰ জলসম্পদৰ অন্বেষণৰ লগতে ব্যৱস্থাপনা কৰে। বিভাগটোৱে ২০২৪ চনৰ জানুৱাৰী পৰ্যন্ত ৩,০০০ কোটিৰো অধিক টকা সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰ, নামনি অসম আৰু ডিমা হাচাও জিলাত খনিজ তেল আৰু প্ৰাকৃতিক গেছৰ সন্ধান লাভ কৰাটো এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে, যাৰ ফলত পৰম্পৰাগত ক্ষেত্ৰসমূহৰ বাহিৰলৈ গৈ প্ৰাকৃতিক সম্পদ আহৰণৰ সুযোগ সুবিধাৰ বহল ক্ষেত্ৰ প্ৰস্তুত হৈছে।
- কাৰ্বি আংলং, ডিমা হাচাও আৰু গোলাঘাট জিলাত ছিলিমেনাইট, কোৱাৰ্টজাইট, চীনা মাটি, চুণ শিল আদি গুৰুত্বপূৰ্ণ খনিজাত দ্ৰব্য আহৰণৰ উদ্দেশ্যে খনিৰ লীজ চুক্তি কাৰ্যকৰীকৰণৰ বাবে লোৱা পদক্ষেপে বিভাগৰ দায়বদ্ধতাকে সূচাইছে। ৪০ কোটি টকাৰো অধিক পৰিমাণৰ অতিৰিক্ত মূল্য সংযোজিত নিলাম সফলতাৰে সম্পন্ন কৰা হৈছে।
- ডিমা হাচাওৰ চূণশিল আৰু ধুবুৰীৰ লোৰ আকৰৰ দৰে গুৰু খনিজৰ চলিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ নিলাম প্ৰক্ৰিয়া আৰু গ্ৰে'নাইট, বালিচন্দা আৰু বালিশিল আদি লঘু খনিজৰ নিলামৰ দ্বাৰা আমি বছৰি প্ৰায় ১,০০০ কোটি টকা ৰাজ্যৰ ৰাজকোষলৈ অতিৰিক্ত বৰঙণি আগবঢ়াবলৈ সক্ষম হ'ম বুলি আশা কৰিছো।
- মই ইয়াৰ দ্বাৰা এই বিভাগৰ বাবে ২৪.৯০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰো।

## পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

*গ্ৰাম্য জনসাধাৰণৰ সবলীকৰণ*

- পঞ্চদশ বিত্ত আয়োগৰ অনুদানেৰে অসমৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহলৈ ৭,৮৫৭ কোটি টকা আবণ্টন দিয়া হৈছে। ইয়াৰে ৪,৬৩৮.৫ কোটি টকা লাভ কৰা হৈছে আৰু বিভিন্ন আঁচনিৰ বাবে ২,০৭০.৫৩ কোটি টকা ব্যৱহাৰ কৰা হৈছে। এম জি এনৰেগাৰ অধীনত নিৰ্ধাৰিত লক্ষ্যৰ প্ৰায় ৯৫ শতাংশ সম্পূৰ্ণ কৰি ৮ কোটি কৰ্মদিন সৃষ্টি কৰা হৈছে। মজুৰি প্ৰতিদিনে ২২৯/- টকাৰ পৰা ২৩৮/- টকালৈ বৃদ্ধি হৈছে আৰু ২০২৩ বৰ্ষৰ ডিচেম্বৰলৈকে ইতিমধ্যে ২,০০০ কোটিতকৈ অধিক টকা ব্যয় কৰা হৈছে।
- মই এই বিভাগৰ বাবে ৮,৪০২.৫৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

## সংসদীয় পৰিক্ৰমা বিভাগ

*লোকতন্ত্ৰৰ সমৰ্থনত*

- এই বিভাগে কাৰ্যপালিকা আৰু বিধায়িনীৰ মাজত সেতু হিচাপে কাম কৰে। ২০২৩-২৪ বিত্তীয় বৰ্ষত জিলা পৰ্যায়ত যুৱ সংসদ আয়োজনৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি সংসদীয় পৰিক্ৰমা বিভাগে এক উল্লেখযোগ্য মাইলৰ খুঁটিত উপনীত হৈছে।
- বিভাগটোৱে বিগত বছৰত লাভ কৰা সফলতাৰ গতি অব্যাহত ৰাখিব। জিলা পৰ্যায়ত যুৱ সংসদ ৰূপায়ণৰ লগতে যুৱক-যুৱতীসকলৰ মাজত নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সজাগতা সৃষ্টিৰ ধাৰাও অব্যাহত থাকিব।
- মই এই বিভাগটোৰ বাবে ১.৪০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছো।

## কৰ্মচাৰী বিভাগ

*কৰ্মচাৰীৰ সবলীকৰণ*

- কৰ্মচাৰী বিভাগৰ উল্লেখনীয় সফলতাবোৰৰ ভিতৰত আছে— অসম কৰ্মচাৰীৰ গতিশীলতা আইন, ২০২৩ প্ৰণয়নৰ জৰিয়তে চৰকাৰী কৰ্মচাৰীক আন বিভাগত মোতায়েনৰ দ্বাৰা মানৱ সম্পদৰ সৰ্বোত্তম ব্যৱহাৰ আৰু তদন্তকাৰী বিষয়া হিচাপে অৱসৰপ্ৰাপ্ত বিষয়াক দায়িত্ব প্ৰদান, সকলোকে সামৰি লোৱাৰ পদক্ষেপ হিচাপে অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে থকা সংৰক্ষণ ব্যৱস্থাৰ ভিতৰত চাহ জনজাতি আৰু আদিবাসী জনগোষ্ঠীলৈ তিনি শতাংশ সংৰক্ষণ বৃদ্ধি আৰু অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত অসম অসামৰিক সেৱা আৰু অসম আৰক্ষী সেৱাৰ নিৰ্দিষ্টসংখ্যক পদ মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে সংৰক্ষণ ইত্যাদি।
- পৰৱৰ্তী সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে অসম অসামৰিক সেৱা (জুনিয়ৰ গ্ৰেড) আৰু সংলগ্ন সেৱাৰ ২৩৫টা খালী পদৰ ঘোষণা কৰা হৈছে। ৭,০০০ৰ অধিক তৃতীয় বৰ্গ আৰু ৫,০০০ চতুৰ্থ বৰ্গৰ পদত নিযুক্তিৰ পৰিকল্পনাৰে বিভাগটোৱে ৰাজ্যৰ বিভিন্ন চৰকাৰী বিভাগত কৰ্মচাৰীৰ প্ৰয়োজনীয়তা পূৰণৰ দিশত সক্ৰিয়তাৰে কাম কৰি আছে।
- এই বিভাগলৈ মই ৪১.১৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছো।

## শক্তি বিভাগ

*আপোনাৰ বিজুলী চাকি উজলাই ৰখাৰ প্ৰয়াসেৰে*

- অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে (APDCL) অসমৰ ২৬,২৩৫ খন ৰাজহ গাঁৱত বিদ্যুৎ সংযোগ প্ৰদান কৰিছে, যাৰ দ্বাৰা ৰাজ্যখনৰ ৩৭,৫৩,৭৮৪টা পৰিয়ালৈ বিদ্যুৎ যোগান ধৰা হৈছে। ১১ লাখৰো অধিক স্মাৰ্ট প্ৰি-পেইড মিটাৰ স্থাপন কৰা হৈছে, যাৰ ফলত মিটাৰ ৰিডিং আৰু বিল প্ৰক্ৰিয়াকৰণৰ ক্ষেত্ৰত স্বচ্ছতা বৃদ্ধি পাইছে আৰু বিদ্যুতৰ ক্ষেত্ৰত খৰচৰ পৰিমাণ কমিছে।
- ৰাজ্যখনৰ বিদ্যুৎ প্ৰবাহৰ সামৰ্থ্য (load handling capacity) ৪,২৭২ মেগাৱাটলৈ বৃদ্ধি কৰিবলৈ আৰু সৰবৰাহৰ ক্ষতিৰ পৰিমাণ ৩ শতাংশলৈ হ্ৰাস কৰিবলৈ অসম বিদ্যুৎ গ্ৰীড নিগম লিমিটেড (AEGCL)-এ এছিয়ান আন্তঃগাঁথনি বিনিয়োগ বেংক (AIIB)ৰ সৈতে অসম অন্তঃ ৰাজ্যিক প্ৰবহন ব্যৱস্থাৰ সম্প্ৰসাৰণ প্ৰকল্প (Assam Intra State Transmission System Enhancement Project) ৰূপায়ণ কৰি আছে।
- অসম শক্তি উৎপাদন নিগম লিমিটেড (APGCL)-এ অসমত ৬২০ মেগাৱাট শক্তিসম্পন্ন নবীকৰণযোগ্য শক্তি প্ৰকল্প স্থাপনৰ বাবে অইল ইণ্ডিয়া লিমিটেডৰ সৈতে সহযোগিতাৰে কাম কৰি আছে। ইয়াৰ প্ৰথমটো প্ৰকল্প ২৫ মেগাৱাটৰ শক্তি সামৰ্থ্যৰ নামৰূপ সৌৰ প্ৰকল্পৰ কাম ২০২৪-২৫ বিত্তীয় বৰ্ষত ৪৯ কোটি টকা আবণ্টনেৰে সম্পূৰ্ণ কৰা হ'ব। পশ্চিম কাৰ্বি আংলং জিলাত ৪১৭.৩২ কোটি টকা ব্যয় সাপেক্ষ কাৰ্বি লাংপি মধ্যম-২ জলবিদ্যুৎ প্ৰকল্পত ২০২৩ৰ অক্টোবৰত কেবিনেট বৈঠকে অনুমোদন দিছে।
- অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (APDCL)-এ ২,০০০ মেগাৱাট শক্তিসম্পন্ন নবীকৰণযোগ্য শক্তি প্ৰকল্প, মুখ্যমন্ত্ৰী সৌৰশক্তি প্ৰকল্পৰ অধীনত ১,০০০ মেগাৱাট সৌৰশক্তি প্ৰকল্প আৰু ব্যক্তিগত খণ্ডত নিৰ্মাণ আৰু পৰিচালনা আৰ্হি (Build own operate mode)ৰ অধীনত ৩২০ মেগাৱাট শক্তিসম্পন্ন সৌৰশক্তি প্ৰকল্প উন্নয়নৰ কামত দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিছে।
- মই এই বিভাগলৈ ২,৬২০.৪৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## জনস্বাস্থ্য কাৰিকৰী বিভাগ

*ঘৰে ঘৰে পানী*

- পৰিষ্কাৰ পানী প্ৰদানৰ দিশত ২০২৩-২৪ বৰ্ষত অসমে উল্লেখনীয় সফলতা লাভ কৰিছে। ২০২৪ বৰ্ষৰ জানুৱাৰীলৈকে বাৰ্ষিক লক্ষ্য অতিক্ৰমী ৭৭.৫ শতাংশৰ ওপৰৰ গ্ৰাম্য পৰিয়াললৈ (১.৮ কোটি) গৃহ নলযোগে পানী যোগানৰ টেপ সংযোগ স্থাপন কৰা হৈছে। আগন্তুক বৰ্ষত কাৰ্যক্ষম নলযোগে পৰিয়াললৈ পানীৰ টেপ সংযোগৰ দিশত ১০০ শতাংশ সামৰাৰ লক্ষ্যৰে বহুসংখ্যক নতুন নলযোগে পানী যোগান আঁচনি নিৰ্মাণৰ কাম চলাই থকা হৈছে। বিভাগে পানী যোগান আৰু অনাময় পদক্ষেপসমূহৰ বাবে থকা কেন্দ্ৰীয় আৰু ৰাজ্যিক পুঁজি ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰি আছে। লক্ষ্যক অতিক্ৰমী পানীযোগান প্ৰকল্পসমূহৰ বাবে ৫,৮৪৭ কোটি টকাতকৈ অধিক পুঁজি ব্যয় কৰা হৈছে।
- স্বচ্ছ ভাৰত অভিযানৰ অধীনত ২০২৪-২৫ বৰ্ষত নতুনকৈ গঢ় লোৱা পৰিয়ালসমূহৰ বাবে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰে ৩ লাখৰো অধিক শৌচালয় নিৰ্মাণৰ পৰিকল্পনা লোৱা হৈছে। প্ৰতিখন গাঁৱতে গোটা আৰু জুলীয়া আৱৰ্জনা ব্যৱস্থাপনাৰ আহিলা স্থাপন কৰা হ'ব। নগৰৰ উপকণ্ঠ অঞ্চলৰ অনাময় ব্যৱস্থা শক্তিশালী কৰিবলৈ ৩৫টা মল আৰু আৱৰ্জনা শোধন প্ৰকল্প স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে।
- ২০২৪-২৫ বৰ্ষত পৰিয়াললৈ কাৰ্যক্ষম নলযোগে পানীযোগানৰ টেপ স্থাপনেৰে সামৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ উপৰি অনাময় আন্তঃগাঁথনি সম্পূৰ্ণ কৰাৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। চাহ বাগিচাত ভ্ৰাম্যমাণ শৌচালয় আৰু অতিৰিক্ত আৱৰ্জনা ব্যৱস্থাপনাৰ সুবিধা স্থাপনৰ দিশতো পৰিকল্পনা গ্ৰহণ কৰা হৈছে।
- মই এই বিভাগলৈ ২,১৮০.৭৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## লোকনিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগ

*উজ্জ্বল ভৱিষ্যতৰ বাবে আন্তঃগাঁথনি নিৰ্মাণ*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত লোকনিৰ্মাণ উন্নয়ন (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগে বিভিন্ন খণ্ডত উল্লেখনীয় সফলতা লাভ কৰিছে। চৰকাৰে স্বাস্থ্য সেৱাৰ উন্নীতকৰণৰ ওপৰত গুৰুত্ব আৰোপেৰে শিৱসাগৰ আৰু কৰিমগঞ্জত

দুখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ পদক্ষেপ লৈছে। তদুপৰি নাৰ্ছিং শিক্ষাৰ উন্নতিকল্পে বিভাগে বিভিন্ন স্থানত নখন নতুন নাৰ্ছিং মহাবিদ্যালয় স্থাপনৰ পদক্ষেপ লৈছিল। বিভাগে আঠখন মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ আৰু ১০০খন আদৰ্শ চাহ বাগিচা হাইস্কুল নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছে। উল্লেখযোগ্য সাংস্কৃতিক প্ৰকল্পৰ ভিতৰত শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ উদ্বোধন আৰু বটদ্ৰৱা থানক সাংস্কৃতিক আৰু পৰ্যটনৰ স্থান হিচাপে উন্নয়নৰ কামো সফলতাৰে হাতত লোৱা হৈছে।

- বিভাগটোৱে ৫০০ মহাপ্ৰভু জগন্নাথ সামূহিক প্ৰেক্ষাগৃহ তথা দক্ষতা কেন্দ্ৰৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে আৰু ডিব্ৰুগড়, কাছাৰ, তেজপুৰ আৰু যোৰহাট কাৰাগাৰ স্থানান্তৰিত কৰাৰ কাম হাতত লোৱা হৈছে। স্বাস্থ্য খণ্ডৰ বাজেট ঘোষণাত উল্লিখিত প্ৰধান পৰিকল্পনাৰ ভিতৰত দুখন নতুন দন্ত্য মহাবিদ্যালয় আৰু বৰ্তমানে থকা চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ উন্নীতকৰণৰ কামৰো পৰিকল্পনা কৰা হৈছে। ইয়াৰ উপৰি জনতা ভৱন আৰু আৱৰ্ত ভৱনসমূহৰ সৌন্দৰ্যবৰ্ধনৰ কামো প্ৰশাসনিক আৰু সাংস্কৃতিক প্ৰকল্প উন্নীতকৰণৰ শিতানত ৰখা হৈছে।
- মই এই বিভাগলৈ ৩,৯৪৩.৯৩ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## লোকনিৰ্মাণ পথ বিভাগ

*শেষ প্ৰান্তলৈকে যোগাযোগ ব্যৱস্থা*

- লোকনিৰ্মাণ (পথ) বিভাগে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিগত প্ৰকল্প সম্পূৰ্ণ কৰি বিগত বৰ্ষত উল্লেখযোগ্য সফলতা লাভ কৰিছে। মালিগাঁও (নীলাচল) আৰু ৰাধাগোবিন্দ বৰুৱা পথ (শ্ৰদ্ধাঞ্জলি)ত উৰণ সেতু দুখনৰ কাম সফলতাৰে সম্পূৰ্ণ কৰা হৈছে, যাৰ ফলত যান-জঁটৰ সমস্যা লাঘৱ হৈছে। ২০২৩-২৪ বৰ্ষৰ বাজেটত "মুখ্যমন্ত্ৰী নগৰীয়া পথ পকীকৰণ আঁচনি" নামৰ ধ্বজাবাহী আঁচনিখনৰ ঘোষণাই নগৰীয়া পথ উন্নয়নৰ প্ৰতি থকা চৰকাৰৰ দায়বদ্ধতাকে সূচাইছে।
- বিভাগে ২০২৩-২৪ বিত্তীয় বৰ্ষত "মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ আঁচনি"ৰ অধীনত ১,১০০ কিঃ মিঃতকৈ অধিক দৈৰ্ঘ্যৰ পথ আৰু প্ৰায় ৩২ খন পকী দলঙৰ নিৰ্মাণ আৰু উন্নীতকৰণত অনুমোদন জনাইছে। ডিফু ষ্টেডিয়ামৰ পৰা ডিফু মুখ্য ডাকঘৰলৈ উৰণ সেতু নিৰ্মাণ আৰু গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী অসম দলং প্ৰকল্পৰ কাম ৭৪ শতাংশ সম্পূৰ্ণ হৈ উঠিছে।
- ২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাজ্যখনৰ পথ আন্তঃগাঁথনি বৃদ্ধিৰ প্ৰকল্পসমূহ ৰূপায়ণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। অসম পথ নেটৱৰ্ক মাষ্টাৰ প্লেনে ৰাজ্যিক কেবিনেটৰ অনুমোদন লাভ কৰিছে, যিয়ে পথ উন্নয়নৰ দিশত এক কৌশলী দৃষ্টিভংগীৰ ইংগিত বহন কৰিছে।
- অনাগত দিনৰ বাবে প্ৰস্তাৱিত আৰু হাতত ল'ব লগা উল্লেখযোগ্য প্ৰকল্পসমূহ হ'ল— চাৰিলেনযুক্ত উৰণ সেতু, প্ৰধান জংচনসমূহত উৰণ সেতু আৰু দীপৰ বিলৰ কাষত হাতীৰ কৰিড'ৰ স্থানৰ লেখীয়া বিশেষ আৱশ্যকতা পূৰণ কৰিবলৈ উৰণ সেতুৰ নিৰ্মাণ।
- মই এই বিভাগলৈ ৮,৯৯৭.৫৬ কোটি টকা আবণ্টন কৰিবলৈ প্ৰস্তাৱ কৰিছোঁ।

## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

*মাটিৰ অধিকাৰ, সুন্দৰ ভৱিষ্যতৰ আধাৰ*

- এই বিভাগে ২০২৩-২৪ বিত্তীয় বৰ্ষত ভূমি বন্দৱস্তি আৰু ভূমি সম্পৰ্কীয় সেৱাসমূহৰ ওপৰত গুৰুত্ব প্ৰদানৰ দ্বাৰা উল্লেখযোগ্য সফলতা লাভ কৰিছে। উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰ উপত্যকাত ২,০০,০০০ বিঘাতকৈ অধিক ভূমি আৰু বৰাক উপত্যকাত প্ৰায় ১,১০০ বিঘা ভূমিত বন্দৱস্তিৰ বাবে অনুমোদন দিয়া হৈছে। গ্ৰাম্যাঞ্চলত উন্নত প্ৰযুক্তিৰ সহায়ত গাঁৱৰ জৰীপ আৰু মানচিত্ৰায়ন আঁচনি (SVAMITVA)ৰ অধীনত বিভাগে জৰীপ নোহোৱা গাঁওসমূহত জৰীপ আৰু বন্দৱস্তি প্ৰদানৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে, য'ত ৮০০ খনতকৈ অধিক গাঁৱত ড্ৰ'ন উৰণৰ কাম আৰু প্ৰায় ২০০ খন গাঁৱত বিতং জৰীপৰ কাম সম্পূৰ্ণ কৰা হৈছে।
- ২০২৪-২৫ বিত্তীয় বৰ্ষত গুৰুত্ব প্ৰদান কৰা এটা বিষয় হ'ল ই-ষ্টাম্প ব্যৱস্থাৰ সম্পূৰ্ণ ৰূপায়ণ, য'ত চৰকাৰে কায়িক অনা-ন্যায়িক ষ্টাম্প পেপাৰৰ ঠাইত ১০০ শতাংশই ই-ষ্টাম্প ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয় (অসম), ভাৰতীয় চাৰ্টাৰ্ড একাউটেণ্ট প্ৰতিষ্ঠান (ICAI), কাজিৰঙাত ন্যায়াধীশৰ অতিথিশালা আৰু অন্যান্যকে ধৰি বিভিন্ন উল্লেখযোগ্য প্ৰতিষ্ঠানৰ বাবে ভূমি আবণ্টন দিয়া হৈছে। অসম ভূমি ৰাজহ অধিনিয়ম, ১৮৮৬ৰ বিধি-২৬ ৰ সংশোধন কৰা হৈছে, যাৰ ফলত বন্দৱস্তিৰ তাৰিখৰ পৰা ১৫ বছৰৰ ভিতৰত বদলিকৰণৰ ক্ষেত্ৰত বন্দৱস্তি প্ৰাপকসকল চৰকাৰী ভূমিত পুনৰ বন্দৱস্তি দিয়াৰ বাবে অযোগ্য বিবেচিত হ'ব।
- মই এই বিভাগলৈ ২,৬৭৮.৬৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ

*প্ৰজ্ঞাৰে বাট কাটি*

- এই বিভাগে ৰাজ্যখনৰ মহাকাশ প্ৰযুক্তিৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতিফলনেৰে 'মহাকাশীয় সামগ্ৰীৰ সন্ধান আৰু বিশ্লেষণৰ নেটৱৰ্ক (NE-TRA) প্ৰকল্প'ৰ বাবে কামৰূপ মহানগৰ জিলাৰ চন্দ্ৰপুৰত ২০০ বিঘা ভূমি আবণ্টনেৰে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO), মহাকাশ বিভাগ আৰু এ পি জি চি এল (APGCL)ৰ সৈতে এক হস্তান্তৰৰ বুজাবুজিত স্বাক্ষৰ কৰিছে। ৰাষ্ট্ৰীয় বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন নীতিৰ একে শাৰীত ৰাজ্যখনৰ বাবে আমি এক বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন নীতিৰ শুভাৰম্ভ কৰিম।
- বৰ্তমানে গুৱাহাটী, যোৰহাট, কোকৰাঝাৰ, নলবাৰী আৰু লখিমপুৰত থকা তাৰকাগৃহসমূহৰ ওপৰঞ্চি আমি স্থাপন কৰি থকা ১৭টা জিলা বিজ্ঞান কেন্দ্ৰলৈ উন্নীত হোৱাৰ পথত। ২১৯টা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু অন্যান্য প্ৰতিষ্ঠানৰ সহযোগত এই কেন্দ্ৰবোৰে জনসাধাৰণৰ মাজত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰসাৰ সাধন কৰিব। এই বৰ্ষত যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহটোক পাইলট ম'ডেল হিচাপে গ্ৰহণ কৰা হ'ব।
- ষ্টাৰ্ট-আপসমূহক সহায় কৰিবলৈ বাজেটত পৰ্যাপ্ত পুঁজিৰ আবণ্টনেৰে অসম জৈৱ প্ৰযুক্তি নীতি (২০২২-২০২৭) গ্ৰহণ কৰা হ'ব। আমিনগাঁৱৰ গুৱাহাটী জৈৱ-প্ৰযুক্তি উদ্যানৰ ব্যৱসায় প্ৰতিষ্ঠান মণ্ডল (Business Enterprise Zone-BEZ)ৰ বাবে বাজেটত ২৯.৪৮ কোটি টকা আবণ্টন দিয়া হৈছে।
- আই আই টি, গুৱাহাটী আৰু বাংগালোৰৰ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানৰ দৰে দেশৰ আগশাৰীৰ প্ৰতিষ্ঠানৰ মাধ্যমেৰে একাদশ শ্ৰেণীৰ প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীসকলক মেণ্টৰশ্বিপ প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান আঁচনিখন ৰূপায়ণ কৰি থকা হৈছে। সহজাত অনুসন্ধিৎসা আৰু সৃষ্টিশীলতা প্ৰকাশৰ বাবে শিশুসকলক এখন মঞ্চ প্ৰদান কৰাৰ লক্ষ্যৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত ৪৫ লাখ টকা আবণ্টনেৰে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান কংগ্ৰেছ গঠন কৰা হ'ব। গৱেষণা আৰু উন্নয়ন (R & D)জনিত অনুদান আৰু বহনক্ষম সেউজ প্ৰযুক্তিৰ ক্ষেত্ৰত ইনকিউবেশ্যন কাৰ্যসূচীৰ প্ৰসাৰৰ লক্ষ্যৰে পৰ্যাপ্ত পুঁজিৰ আবণ্টনেৰে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাজেটত ঘোষণা কৰা সেউজ উদ্ভাৱন পুঁজি সফলতাৰে ৰূপায়ণ কৰি থকা হৈছে।
- মই এই বিভাগটোলৈ ১১৫.৬০ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালোঁ।

## বিদ্যালয় শিক্ষা বিভাগ

*কোনো শিশু শিক্ষাৰ পৰা বাদ নপৰাটো নিশ্চিত কৰা*

- বিদ্যালয় শিক্ষা বিভাগে চৰকাৰৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতিফলনেৰে ইউ এল এল এ এছ (ULLAS) নৱ ভাৰত সাক্ষৰতাৰ পাঁচবছৰীয়া কাৰ্যসূচী আৰম্ভ কৰিছে। ১০খন নতুন বি এড মহাবিদ্যালয়ৰ নিৰ্মাণ, বহুকেইখন কস্তুৰবা গান্ধী বালিকা বিদ্যালয় স্থাপন আৰু চাহ বাগিচা এলেকাত ১১০খনৰো অধিক আদৰ্শ বিদ্যালয় স্থাপনৰ কামে যথেষ্ট অগ্ৰগতি লাভ কৰিছে। উল্লেখনীয় যে ৰাজ্যখনত আৰু ১৮খন নতুন আদৰ্শ বিদ্যালয় কাৰ্যক্ষম হৈ উঠিছে আৰু এই বিদ্যালয়ৰ সংখ্যা ৫৬খনলৈ বৃদ্ধি হৈছে।
- ইয়াৰ উপৰি চলিত বৰ্ষত বিভাগৰ কিছুসংখ্যক অভিলাষী আঁচনি গ্ৰহণৰ পৰিকল্পনা আছে। এইসমূহৰ ভিতৰত ৪,০০০খনতকৈ অধিক প্ৰাথমিক বিদ্যালয়লৈ ৬৯,০০০ জোৰা ডেক্স-বেঞ্চ প্ৰদানেৰে আন্তঃগাঁথনি উন্নয়নৰ পদক্ষেপ লোৱা হৈছে। শ্ৰেণী কোঠা নিৰ্মাণত বিশেষ গুৰুত্ব প্ৰদান কৰি প্ৰায় ১১,০০০ শ্ৰেণী কোঠা, বিজ্ঞান পৰীক্ষাগাৰ, কম্পিউটাৰ কোঠা আৰু গ্ৰন্থাগাৰ নিৰ্মাণৰ কাম চলি আছে। প্ৰথম শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাৰ জ্ঞান প্ৰদান কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ৰূপায়ণ কৰি থকা নিপুণ অসম অভিযান আঁচনিখন চলাই যোৱাৰো লক্ষ্য লোৱা হৈছে। ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটী, তেজপুৰ বিশ্ববিদ্যালয় আৰু এন আই টি, শিলচৰৰ লেখীয়া প্ৰতিষ্ঠানৰ দ্বাৰা অনুষ্ঠিত কৰা কাৰ্যসূচীসহ চৰকাৰে শিক্ষকৰ প্ৰশিক্ষণ প্ৰক্ৰিয়া সংক্ৰিয়ভাৱে চলাই আছে।
- আই চি টি পৰীক্ষাগাৰ, স্মাৰ্ট শ্ৰেণী কোঠা আৰু বহু হেজাৰ বিদ্যালয়লৈ টেলি-শিক্ষাৰ সুবিধা প্ৰদানেৰে অসমে শিক্ষা খণ্ডত প্ৰযুক্তি প্ৰয়োগৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এক লাখতকৈ অধিক বিদ্যাৰ্থীক সামৰাৰ লক্ষ্যৰে অধিক সংখ্যক বিদ্যালয়লৈ বৃত্তিগত শিক্ষা প্ৰসাৰৰ ব্যৱস্থা কৰি থকা হৈছে। ৰাজ্যখনে আদৰ্শ বিদ্যালয়ত শিশু প্ৰকল্প (Project child) আৰু ১৩,০০০ ৰো অধিক বিদ্যালয়ত ছাত্ৰীৰ বাবে আত্মৰক্ষাৰ কাৰ্যসূচীৰ লেখীয়া আঁচনি ৰূপায়ণেৰে মানসিক স্বাস্থ্যৰ বিকাশ তথা সামগ্ৰিক বিকাশ সাধনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ২০০খনৰো অধিক বিদ্যালয়ত পি এম শ্ৰী (PM Shri) আঁচনি গ্ৰহণেৰে অনগ্ৰসৰ লোকসকলক বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।
- ইয়াৰ উপৰি প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগে ৫৯,০০০ ৰো অধিক বিশেষ প্ৰয়োজন থকা শিশুৰ নামভৰ্তি কৰিছে। তদুপৰি, নৱম শ্ৰেণীৰ বিদ্যাৰ্থীলৈ বিনামূলীয়া চাইকেল বিতৰণ, ১২ লাখতকৈও অধিক ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া পাঠ্যপুথি বিতৰণ আৰু চৰকাৰী বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকললৈ নামভৰ্তিৰ মাচুল ৰেহাই ইত্যাদিৰ দৰে পদক্ষেপসমূহ লৈ থকা হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ আৰু ইয়াৰ অধিক নম্বৰ প্ৰাপ্তিৰে ২৭,০০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে আনন্দৰাম বৰুৱা নগদ ধনৰ বঁটা লাভ কৰাটোৱে শিক্ষাখণ্ডৰ সফলতাৰ কথাকে প্ৰতীয়মান কৰে । ৪০০ খনতকৈ অধিক চাহ বাগিচা পৰিচালনা বিদ্যালয়ৰ প্ৰাদেশিকীকৰণেৰে বিভাগে চাহ জনগোষ্ঠীয় এলেকালৈ শিক্ষাৰ সম্প্ৰসাৰণৰ পদক্ষেপ লৈছে।
- মই এই বিভাগৰ বাবে ১৬,৬৫৮.২৯ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

## দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ

*নিয়োগৰ বাবে দক্ষতা*

- নিৰ্মাণ দক্ষতাৰ লেখীয়া চাহিদাপূৰ্ণ শাখাৰ বাবে অত্যাধুনিক প্ৰযুক্তিৰ সৈতে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ লাৰছেন এণ্ড টুব্ৰো (Larsen & Toubro)ৰ লগত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰা হৈছে। অসমত নতুনকৈ স্থাপন কৰা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত নামভৰ্তি কৰা শিক্ষাৰ্থীসকলৰ মাজত জলপানিৰ ব্যৱস্থা আৰম্ভ কৰা হৈছে। ব্যক্তিগত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত আৰু যিবোৰ ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্ব (PPP) ৰ আৰ্হিৰ প্ৰতিষ্ঠানসমূহৰ প্ৰশিক্ষাৰ্থীৰ বাবে ৯৪.৫ লাখ টকাৰ জলপানিত অনুমোদন জনোৱা হৈছে আৰু ইয়াৰ জৰিয়তে চলিত বছৰত ৯৪৩ গৰাকী প্ৰশিক্ষাৰ্থী লাভান্বিত হ'ব। তদুপৰি অন্তৰ্ভুক্তিৰ মন্ত্ৰ সাৰোগত কৰি মৰাণ, মটক, তাই আহোম, চুতিয়া, কোচ, ৰাজবংশী, চাহ শ্ৰমিক (TGL) আৰু প্ৰাক্তন চাহ শ্ৰমিক (Ex. TGL) সম্প্ৰদায়ক অন্যান্য পিছপৰা শ্ৰেণী (OBC)/ অধিক অন্যান্য পিছপৰা শ্ৰেণী (MOBC)ৰ অধীনত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত নামভৰ্তিৰ ক্ষেত্ৰত আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।
- ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰতি লক্ষ্য ৰাখি অহা ২০২৬ চনৰ ভিতৰত বিভাগটোৱে ৰাজ্যখনৰ প্ৰতিটো উন্নয়ন খণ্ডতে (Block) অন্তত একোখনকৈ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ পৰিকল্পনা কৰিছে। দেশৰ পূৰ্বাঞ্চলত স্থাপন কৰা প্ৰথমখন অসম দক্ষতা বিশ্ববিদ্যালয় অহা ২০২৫ চনৰ পৰা কাৰ্যকৰী কৰা হ'ব আৰু ইয়াত আনুমানিক ১৫০০ ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তি কৰোৱা হ'ব।
- মই এই বিভাগলৈ ৩৫৪.২৩ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ

*দৰিদ্ৰতা আৰু অসমতা নিৰ্মূল*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগে উল্লেখনীয় সফলতা অৰ্জন কৰা কাম-কাজসমূহৰ ভিতৰত আছে— দীনদয়াল দিব্যাংগজন পুনৰ সংস্থাপন আঁচনিৰ আৰম্ভণি, একক বিশেষভাৱে সক্ষম পৰিচয় প্ৰকল্প (Unique Disability ID Project)ৰ ৰূপায়ণ আৰু গৃহহীন তৃতীয় লিংগৰ ব্যক্তিৰ বাবে আশ্ৰয় গৃহ স্থাপন। বিত্তীয় উদ্‌গনি, জলপানি আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগ/অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰাকৈ প্ৰাৰ্থীসকলক প্ৰস্তুতিৰ দিশত সমৰ্থন জনোৱাটোও বিভাগটোৰ সফল পদক্ষেপ।
- চলিত বৰ্ষত বিভাগটোৱে আন্তঃগাঁথনিমূলক উন্নয়ন আঁচনি ৰূপায়ণত অধিক গুৰুত্ব দিছে। মিনি আউটড'ৰ ষ্টেডিয়াম আৰু ডাঃ বি আৰ আম্বেদকাৰ ভৱন নিৰ্মাণৰ লগতে উপাৰ্জন সৃষ্টিকাৰী আঁচনি আৰু দক্ষতা বিকাশৰ পদক্ষেপৰ জৰিয়তে চাফাই কৰ্মচাৰীসকলৰ আৰু মেনুৱেল জামাদাৰসকলৰ সবলীকৰণকে ধৰি অন্যান্য সমূহীয়া সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত বিভাগে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। অনুসূচিত জাতি (SC) আৰু অন্যান্য পিছপৰা শ্ৰেণী (OBC)ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক পাৰদৰ্শিতাৰ ভিত্তিত বিত্তীয় উদগনি আৰু জলপানিৰ ব্যৱস্থা কৰাৰ বিষয়টোৱে অগ্ৰাধিকাৰ পাই আছে।
- মই এই বিভাগলৈ ৪৩৯.৭২ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## ভূমি সংৰক্ষণ বিভাগ

*ভৱিষ্যৎ প্ৰজন্মৰ বাবে ভূমি সুৰক্ষা*

- উন্নত কৰ্ম বাতাৱৰণ সৃষ্টিৰ উদ্দেশ্যে নতুন বিভাগীয় ভৱন নিৰ্মাণৰ বাবে Building & Approach Road প্ৰকল্প গ্ৰহণ কৰা হৈছিল। Boulder Gabion Spurs স্থাপনৰ জৰিয়তে নৈৰ খহনীয়া ৰোধৰ বাবে নৈপৰীয়া ভূমিৰ সুৰক্ষা প্ৰকল্প গ্ৰহণ কৰা হৈছে। ৪০০ লাখ টকাৰ আবণ্টনেৰে ৰূপিত মাটিসমূহ জলধাৰা খহনীয়াৰ পৰা সুৰক্ষা দিয়াৰ বাবে এই গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছিল। ভূমিৰ খহনীয়া ৰোধৰ উদ্দেশ্যে নদীৰ পাৰত গছপুলি ৰোপণৰ ওপৰত গুৰুত্ব আৰোপ কৰি ১৬০ লাখ টকাৰ আবণ্টনেৰে সুৰক্ষিত বনানীকৰণ কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। তদুপৰি ৪,০০০ লাখ টকাতকৈ অধিক টকাৰ আবণ্টনেৰে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি আঁচনিৰ অধীনত ভূমিৰ খহনীয়া ৰোধৰ লগতে কৃষিজাত উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে ভূমি আৰু জল সংৰক্ষণ সম্পৰ্কীয় পদক্ষেপসমূহ গ্ৰহণ কৰা হৈছিল।
- এই বৰ্ষত বিভাগটোৱে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি আঁচনিৰ অধীনত প্ৰকৃতি সংৰক্ষণ, Building and Approach Road, নৈপৰীয়া ভূমিৰ সুৰক্ষা, সুৰক্ষিত বনানীকৰণ, আৰ্দ্ৰভূমি উন্নয়ন, জলধাৰা নিয়ন্ত্ৰণ প্ৰকল্প, দুৰ্যোগ প্ৰশমন ব্যৱস্থা, ভূমি উন্নয়ন প্ৰকল্প, পতিত ভূমিৰ পুনৰ ব্যৱহাৰৰ যোগ্যকৰণ আৰু পানী যোগান ব্যৱস্থা আদিৰ ৰূপৰেখা প্ৰস্তুত কৰিছে।
- মই এই বিভাগৰ বাবে ২৭৪.৫৮ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা বিভাগ

*প্ৰতিভাৰ অন্বেষণেৰে বিজয়ীৰ সন্ধান*

- বিগত ২০২৩-২৪ বিত্তীয় বৰ্ষত ডিব্ৰুগড় জিলাৰ খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ নিৰ্মাণৰ কাম ৮৩ শতাংশ সম্পূৰ্ণ হোৱাটো বিভাগটোৰ এক অন্যতম সাফল্য। এই ক্ৰীড়া প্ৰকল্পত মূল ষ্টেডিয়ামৰ উপৰি ইণ্ডোৰ ষ্টেডিয়াম আৰু বিভিন্ন সা-সুবিধাৰ ব্যৱস্থা আছে। যুৱ উন্নয়নত বৰঙণি যোগাব পৰাকৈ ডিব্ৰুগড় আৰু তেজপুৰত অসম ৰাজ্যিক যুৱ আয়োগৰ প্ৰশিক্ষণ কেন্দ্ৰৰ উপৰি পাঁচটা নতুন কেন্দ্ৰৰ বাবে পৰিকল্পনা কৰা হৈছে। এথলীটৰ সম্ভাৱনীয়তাৰ সৰ্বোচ্চ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে গুৱাহাটী আৰু যোৰহাটত উন্নত মানৰ ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। জিলা আৰু বিধানসভা সমূহত ক্ৰীড়া আন্তঃগাঁথনি উন্নয়নৰ বাবে গ্ৰহণ কৰা প্ৰকল্পসমূহৰ কাম চলি আছে।
- এতিয়া বিভাগটোৱে আন্তঃগাঁথনি প্ৰকল্পসমূহ সম্পূৰ্ণ কৰাৰ লগতে প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ সম্প্ৰসাৰণ আৰু বিভিন্ন ক্ৰীড়া সমাৰোহ আয়োজন কৰাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। ক্ৰীড়াৰ সামগ্ৰিক উন্নয়ন, প্ৰতিভাৰ বিকাশ আৰু অসমত ক্ৰীড়া উৎসাহী লোকসকলৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।
- মই এই বিভাগৰ বাবে ২১০.৩২ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছো।

## চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগ

*বৈচিত্ৰ্যৰ মাজত শক্তি*

- বিভাগটোৱে হাতত লোৱা বিভিন্ন পদক্ষেপৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰিব পৰা গৈছে, যিয়ে ৰাজ্যখনৰ চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ শৈক্ষিক, সাংস্কৃতিক আৰু স্বাস্থ্য সম্পৰ্কীয় দিশসমূহৰ উত্তৰণত সহায় আগবঢ়াইছে। বিত্তীয় সাহায্য/জলপানিৰ বাবে SIRISH অনলাইন প'ৰ্টেলৰ জৰিয়তে প্ৰায় ৬৫,০০০ খন আবেদনপত্ৰ লাভ কৰা হৈছে, যিয়ে শৈক্ষিক ক্ষেত্ৰখনত লাভ কৰা বিত্তীয় সহায়ৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱকে প্ৰতিফলিত কৰিছে। ইয়াৰ লগতে চাহ জনজাতি সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বৰ্তমানৰ (৪৩টা) হোষ্টেলৰ মেৰামতিসহ নতুন হোষ্টেল নিৰ্মাণ কৰা হৈছে। ৭৫০ কোটি টকাতকৈ অধিক ধনৰ প্ৰশাসনীয় অনুমোদনেৰে ৫০০টা জগন্নাথ সমূহীয়া প্ৰেক্ষাগৃহ তথা দক্ষতা কেন্দ্ৰ নিৰ্মাণৰ অৰ্থে ৩০০ টাতকৈ অধিক কেন্দ্ৰৰ বাবে নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল আৰু চাহ বাগিচা এলেকাৰ যুৱক-যুৱতীসকলক দক্ষ কৰি তুলিবলৈ আৰু সম্প্ৰদায়-কেন্দ্ৰীক এলেকা (Community-centric Spaces) সৃষ্টিৰ বাবে ৪০টাতকৈ অধিক কেন্দ্ৰৰ কাৰণে কামৰ নিৰ্দেশনা (work order) জাৰি কৰা হৈছে। চাহ শ্ৰমিকসকলৰ ওপৰত পৰা বাণিজ্যিক বিদ্যুৎ নিৰিখৰ গধুৰ বোজাৰ কথা বিবেচনা কৰি বিভাগে এ পি ডি চি এললৈ ১০২.৫১ কোটি টকা মঞ্জুৰ কৰিছে।
- বিভাগটোৱে এই জনগোষ্ঠীৰ লোকসকলৰ বাবে ক'চিং কাৰ্যসূচী অব্যাহত ৰখা, মহাপ্ৰভু জগন্নাথ সমূহীয়া প্ৰেক্ষাগৃহ তথা দক্ষতা কেন্দ্ৰ প্ৰকল্পৰ সম্পূৰ্ণকৰণ, অসম চাহ জনগোষ্ঠীয় সমন্বয় কলাক্ষেত্ৰৰ জৰিয়তে সাংস্কৃতিক সংৰক্ষণ আৰু এই জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী তথা ৰোগীসকললৈ বিত্তীয় সাহায্য আৰু জলপানি প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ইয়াৰ উপৰি এই পৰিকল্পনাসমূহৰ অধীনত নতুন হোষ্টেল নিৰ্মাণ আৰু ক্ৰীড়া আৰু যুৱ কল্যাণমূলক কাৰ্যৰ প্ৰসাৰক সামৰি লোৱা হ'ব।
- মই এই বিভাগলৈ ৩০৫.৪৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছোঁ।

## পৰ্যটন বিভাগ

*এটা খড়গ, বহু স্মৃতি*

- ২০২৩-২৪ বিত্তীয় বৰ্ষত পৰ্যটন বিভাগে কেইবাটাও মূল কাৰ্য ব্যৱস্থা হাতত লৈছে। পৰ্যটনৰ আন্তঃগাঁথনিৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে ৰূপায়ন কৰিবলৈ লোৱা স্বদেশ দৰ্শন ২.০ ইতিমধ্যে যোৰহাট আৰু কোকৰাঝাৰত আৰম্ভ কৰা হৈছে। 'অসমৰ চাহ পৰ্যটন আন্তঃগাঁথনি বিকাশ' কাৰ্যসূচীৰ অধীনত ২২ খন চাহ বাগিচাই প্ৰথম পৰ্যায়ত মঞ্জুৰি পত্ৰ লাভ কৰিছে আৰু দ্বিতীয় পৰ্যায়ৰ নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছে।
- *আমাৰ আলহী* গ্ৰাম্য হোম ষ্টে আঁচনিৰ অধীনত ৰাজ্যখনত ৬৩ টা হোম ষ্টে সুবিধা সফলতাৰে স্থাপন কৰা হৈছে, যাৰ দ্বাৰা গ্ৰামাঞ্চলত আত্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰা হৈছে। উত্তৰণ আঁচনিৰো যথেষ্ট অগ্ৰগতি প্ৰত্যক্ষ কৰা গৈছে। তাৰ ভিতৰত ঐতিহ্য ক্ষেত্ৰ যেনে গুপ্তেশ্বৰৰ কামৰ ৮০ শতাংশ, যোৰহাটৰ টোকলাইত চাহ পৰ্যটন কেন্দ্ৰৰ কামৰ ৯০ শতাংশ , ছয়গাঁৱত মা চণ্ডিকা দেৱালয়-চান্দ সদাগৰ মেৰঘৰ সংৰক্ষণৰ কামৰ ৪০ শতাংশ কাম সম্পূৰ্ণ হৈছে। অতিৰিক্তভাৱে নিদা (NIDA)ৰ অৰ্থ সাহায্যত ৰহাত জোঙাল বলহু ক্ষেত্ৰ নিৰ্মাণে উক্ত স্থানৰ পৰ্যটনৰ সম্ভাৱনা বৃদ্ধি কৰিছে।
- ইয়াৰ উপৰি বিভাগে অসমৰ পৰ্যটন ক্ষেত্ৰৰ আন্তঃগাঁথনি আৰু আকৰ্ষণ বঢ়োৱাৰ লক্ষ্যৰে কাম কৰি আছে। আমিনগাঁৱত চিকিৎসা পৰ্যটনৰ সুবিধাৰ্থে আধুনিক যাত্ৰী নিবাস নিৰ্মাণ, শৰাইঘাট হ্ৰদৰ উন্নয়ন, কাজিৰঙাত পৰ্যটনৰ সুবিধা বৃদ্ধিৰ প্ৰকল্প আদিয়ে গুৰুত্বপূৰ্ণ স্থান লাভ কৰিব। বিভাগৰ হায়াট গ্ৰুপ, টাটা গ্ৰুপ আৰু ইজ মাই ট্ৰিপৰ সৈতে বিভাগে কৰা কৌশলগত অংশীদাৰিত্বই আতিথ্য আৰু চাহ পৰ্যটনৰ বিকাশ সাধনৰ লগতে অনলাইন বুকিং ব্যৱস্থাকো সুচল কৰি তুলিব। ৰাজ্যৰ বিভিন্ন প্ৰান্তক বিমান সেৱাৰে সামৰি লোৱাৰ বাবে চলোৱা প্ৰয়াসৰ লগতে বিভাগত এটা দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰ বাবে লোৱা ব্যৱস্থাই ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰৰ বিকাশৰ বাবে বিভাগে চলোৱা নিষ্ঠাবান প্ৰয়াসকে প্ৰতিফলিত কৰে।
- মই এই বিভাগৰ বাবে ১০০.৮৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## ৰূপান্তৰ আৰু উন্নয়ন বিভাগ

*উন্নয়নৰ ধৰণী*

- এই বিভাগে ২০২৩-২৪ বিত্তীয় বৰ্ষত মুখ্যতঃ বিধায়ক এলেকা উন্নয়নৰ ৰূপায়ণ, অসম আদৰ্শ গ্ৰাম যোজনা আৰু অসম দৰ্শনৰ কাম-কাজ সম্পাদন কৰিছে। বিভাগটোৱে বিস্তৃত সূচক ৰূপৰেখা প্ৰবৰ্তন কৰি বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহ (SDGs) পূৰণত সক্ৰিয়তাৰে কাম কৰিছে। শিক্ষা, স্বাস্থ্যসেৱা

আৰু আন্তঃগাঁথনিত গুৰুত্ব প্ৰদান কৰি 'প্ৰধানমন্ত্ৰীৰ উত্তৰ-পূৱ অঞ্চলৰ উন্নয়নৰ বাবে পদক্ষেপ' (PM-DevINE), উত্তৰ-পূৱ বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনি (পথ) [NESIDS (Roads)] আৰু উত্তৰ-পূৱ বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনি (পথ ভিন্ন আন্তঃগাঁথনি) [NESIDS (OTRI)] ৰ অধীনত এলানি ফলপ্ৰসূ প্ৰকল্প হাতত লোৱা হৈছে। বিদ্যালয় ৰূপান্তৰ, পথ উন্নয়ন আৰু সাংস্কৃতিক সংৰক্ষণৰ দৰে উল্লেখযোগ্য পদক্ষেপে সামগ্ৰিক উন্নয়নৰ অংগীকাৰ প্ৰতিফলিত কৰিছে।

- বিভাগটোৱে এই গতি অব্যাহত ৰখাৰ লক্ষ্য লৈছে। ৰাজ্যখনৰ শৈক্ষিক খণ্ডক গঢ় দিয়া আৰু যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ বাবে প্ৰধানমন্ত্ৰীৰ উত্তৰ-পূৱ অঞ্চলৰ বাবে পদক্ষেপ প্ৰকল্প (PM-DevINE) হাতত লৈ ইয়াক সম্পূৰ্ণ কৰা হ'ব। উত্তৰ-পূৱ বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনি (NESIDS)ৰ দ্বাৰা বিদ্যালয় আন্তঃগাঁথনিৰ আশাব্যঞ্জক উন্নয়ন আৰু জাবৰ ব্যৱস্থাপনাৰ প্ৰচেষ্টা অব্যাহত থাকিব। অভিলাষী জিলা কাৰ্যসূচীও অধিক সক্ৰিয়ভাৱে ৰূপায়ণ কৰা হ'ব। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ জৰিয়তে ৰাজ্যখনৰ অৰ্থনৈতিক ক্ষেত্ৰৰ মূল্যায়নেৰে বিভাগটোৱে অসমৰ স্পন্দনশীল আৰু স্থিতিস্থাপক অৰ্থনীতিৰ ইংগিতসূচক পৰ্যাপ্ত বিকাশৰ পূৰ্বানুমান কৰিছে।
- এই বিভাগলৈ মই ৫০৯.১৯ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

### পৰিবহণ বিভাগ

*সুচল যাত্ৰা*

- বিগত বিত্তীয় বৰ্ষত ১,৩০০ কোটিতকৈও অধিক টকাৰ ৰাজহ আহৰণেৰে পৰিবহণ বিভাগে চমকপ্ৰদ সফলতা লাভ কৰিছে। নগদবিহীন হস্তান্তৰ প্ৰক্ৰিয়া আৰু যোগাযোগবিহীন ৫০ টা সেৱাৰ প্ৰাৰম্ভণৰ ফলশ্ৰুতিত কৰ্মদিন ৰাহি কৰাৰ উপৰি আনুমানিক ৪০০ কোটি টকা ৰাহি কৰিছে। নতুন যান-বাহন Scrappage Policy, সেউজ কৰ, ফিটনেছ জৰিমণা হ্ৰাস, যান-বাহনৰ কৰ নিষ্পত্তিকৰণ আৰু বৈদ্যুতিক বাহনৰ উদগনিসমূহে আমাৰ জলবায়ু সন্তুলনৰ প্ৰতি থকা প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰাৰ উপৰি পথত কেৱল মাত্ৰ উপযুক্ত যান-বাহনৰ চলাচল নিশ্চিত কৰিছে। বাৰ্ষিক ৯৮ লাখ যাত্ৰী আৰু নৈ-কাষৰীয়া ধৰ্মীয় চাৰ্কিটৰ আন্তঃগাঁথনিৰ উন্নীতকৰণৰ জৰিয়তে অসম আভ্যন্তৰীণ জল পৰিবহণ নিগমৰ মাধ্যমেৰে আন্তঃগাঁথনি উন্নয়ন, জাহাজৰ সংখ্যা বৃদ্ধি আৰু নদী পৰ্যটনৰ বিকাশৰ লক্ষ্য স্থিৰ কৰা হৈছে।
- এই কৰ্মৰাজিৰ অগ্ৰগামী যাত্ৰাৰ অংশ হিচাপে বিভাগে বহনক্ষম পৰিবহণ, আন্তঃগাঁথনিৰ উন্নয়ন আৰু উদ্ভাৱনী সমাধান ৰূপায়ণৰ দিশত অবিৰত পদক্ষেপ লোৱাৰ পৰিকল্পনা কৰিছে।
- মই এই বিভাগৰ বাবে ৬২৩.০৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

### জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ

*বাধাৰ প্ৰাচীৰ ভাঙি*

- বিভাগটোৱে অসম লোকসেৱা আয়োগ আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগৰ মূল পৰীক্ষাৰ প্ৰত্যাশীসকলক বিত্তীয় সাহায্য প্ৰদান কৰিছে। প্ৰৱেশিকা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক জলপানি হিচাপে প্ৰায় ৯,৩০০ লাখ টকা প্ৰদান কৰা হৈছে আৰু ইয়াৰ দ্বাৰা ৯০,০০০ তকৈ অধিক অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীক উপকৃত কৰা হৈছে। বাক্সা, বৰপেটা, কোকৰাঝাৰ, কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত পাঁচখন একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ৰ নিৰ্মাণকাৰ্য চলি আছে। ৮০০ খনতকৈ অধিক জনজাতীয় গাঁৱক আদৰ্শ গাঁৱলৈ ৰূপান্তৰিত কৰাৰ বাবে "প্ৰধানমন্ত্ৰী আদি আদৰ্শ গ্ৰাম যোজনা"ৰ অধীনত প্ৰায় ১৭০ কোটি টকা মঞ্জুৰ কৰা হৈছে। আনহাতে প্ৰধানমন্ত্ৰী জনজাতীয় বিকাশ মিছনৰ অধীনত বিভিন্ন উপাৰ্জন সৃষ্টিকাৰী কাম-কাজৰ বাবে ১,৫০০ টাতকৈ অধিক আত্মসহায়ক গোটলৈ সাহায্য আগবঢ়োৱা হৈছে। সমূহীয়া সেৱাৰ বাবে ৩৪ খন এম্বুলেঞ্চ বিতৰণ কৰা হৈছে আৰু ৬০০ গৰাকীতকৈ অধিক অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীলৈ পাঠ্যক্ৰম সম্বন্ধীয় সামগ্ৰীসহ টেবলেট পি চি যোগান ধৰাৰ অৰ্থে ১৯ কোটি টকাতকৈ অধিক ধন মঞ্জুৰ কৰা হৈছে। আমি এই বৰ্ষতো ভৈয়াম জনজাতিসকলৰ সৰ্বাংগীণ কল্যাণৰ বাবে লৈ থকা পদক্ষেপসমূহ আৰু অধিক সক্ৰিয়তাৰে অব্যাহত ৰাখিম।
- মই এই বিভাগলৈ ৬৪৬.০৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

### জলসম্পদ বিভাগ

*নদীসমূহৰ নিয়ন্ত্ৰণ*

- বিগত ২০২৩-২৪ বিত্তীয় বৰ্ষত এই বিভাগে লাভ কৰা উল্লেখযোগ্য সফলতাসমূহ হ'ল ২৫ কিলোমিটাৰতকৈ অধিক মথাউৰি নিৰ্মাণ, প্ৰায় ৫০ কিলোমিটাৰ প্ৰতিৰোধ ব্যৱস্থা সামৰি ৫৪ টা স্থানত খহনীয়া প্ৰতিৰোধৰ কাম, ১ খন শ্লুইচৰ লগতে বৰ্তমানে থকা ৫৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি (Dyke)ৰ উচ্চতা বৃদ্ধি আৰু শক্তিশালীকৰণ। ১,১০০ কোটি টকা ব্যয়েৰে বিভাগে বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত অসম সংহত নদী অৱবাহিকা ব্যৱস্থাপনা কাৰ্যসূচী-১ৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ কৰিছে। বুঢ়ীদিহিং আৰু মানস-বেকী নদীৰ ব্যাপক বান ব্যৱস্থাপনা আঁচনিতো বিভাগে গুৰুত্ব প্ৰদান কৰিছে।
- মই এই বিভাগলৈ ২,০৪০.৫৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

### বড়োলেণ্ড কল্যাণ বিভাগ

*স্বায়ত্ত শাসনৰ প্ৰতি সন্মান*

- বিভাগটোৱে গ্ৰাম চড়ক যোজনাৰ (PMGSY-III) অধীনত ১৩০ কি.মি. পথ নিৰ্মাণ কৰিছে। ইয়াৰ উপৰি, মুখ্যমন্ত্ৰীৰ পথ নবীকৰণ নিৰ্মাণ আঁচনিৰ অধীনত ১৬০ কি.মি. দৈৰ্ঘ্যৰ ৩০ টা পথ নিৰ্মাণৰ কাম হাতত লৈছে আৰু ১২ কি.মি. দৈৰ্ঘ্যৰ দুটা পথৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। বাসুগাঁও চহৰৰ মাজেৰে যোৱা ৰে'ল লাইনৰ ওপৰেৰে ৰে'লৱে বিভাগৰ সৈতে সমন্বয় (৫০:৫০ ব্যয় অংশীদাৰিত্বৰ ভিত্তিত) বহন কৰি গেট নং এন এন-১৪৬ আঁতৰাই এখন ৰে'লৱে অভাৰ ব্ৰীজ নিৰ্মাণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ আঁচনি (BTC) আৰু অসম ৰাজ্যিক শুভেচ্ছামূলক অভিযান প্ৰকল্পৰ অধীনত যথাক্ৰমে প্ৰায় ১৮০ কিলো মিটাৰ আৰু ৫০০ কিলো মিটাৰৰো অধিক পথ নিৰ্মাণ কৰা হৈছে। ১১০০ খন বৰ্তমানে থকা নলযোগে পানী যোগান আঁচনিক জল জীৱন মিছনৰ অধীনত পুনৰ কাৰ্যক্ষম কৰি ১৮,০০০ পৰিয়াললৈ বিশুদ্ধ খোৱাপানী যোগান ধৰা হৈছে। নগৰ উন্নয়ন বিভাগৰ দ্বাৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত বিটিআৰ চহৰাঞ্চলত ৬০০০ টা গৃহ নিৰ্মাণ কৰা হৈছে। চলিত ধ্বজাবাহী অভিযান, যেনে— বড়োলেণ্ড পিগ মিছন, ছীড (SEED) মিছন আৰু বিছমুথী (Bwiswmuthi) মিছনৰ দ্বাৰা যথাক্ৰমে গাহৰি পালন, দক্ষতা বিকাশ আৰু ভূমিলেখ্য ডিজিটেলাইজেচনত গুৰুত্ব আৰোপ কৰা হৈছে।
- মই এই বিভাগলৈ ৩,৭৮২.৫৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

### সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ

*সৰ্বাংগীণ উন্নয়ন*

- বিগত বিত্তীয় বৰ্ষত বিভাগটোৱে সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ অৰ্থনৈতিক উত্তৰণ তথা আন্তঃগাঁথনিগত উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বিভাগে ২০২৩-২৪ বিত্তীয় বৰ্ষত স্ব-নিয়োজন আৰু আন্তঃগাঁথনিগত উন্নয়ন আঁচনিসমূহ হাতত লৈছে, যিয়ে ই-ৰিক্সা, হেণ্ড স্প্ৰেয়াৰ মেচিন, চিলাই মেচিন প্ৰদান আৰু সমূহীয়া প্ৰেক্ষাগৃহ নিৰ্মাণ আদিক সামৰি লৈছে।
- খিলঞ্জীয়া অসমীয়া মুছলমান লোকসকলৰ আৰ্থ-সামাজিক মূল্যায়নৰ বাবে কেবিনেটে প্ৰদান কৰা অনুমোদন হৈছে এক উল্লেখযোগ্য সফলতা আৰু এই মুল্যায়নৰ দায়িত্ব নতুনকৈ নামকৰণ কৰা সংখ্যালঘু পৰিক্ৰমা আৰু চৰ এলেকা সঞ্চালকালয়ক অৰ্পণ কৰা হৈছে। তদুপৰি গৰিয়া, মৰিয়া, দেশী, জলহা আৰু চৈয়দকে ধৰি নিৰ্দিষ্ট খিলঞ্জীয়া অসমীয়া মুছলমান সম্প্ৰদায়সমূহৰ চিনাক্তকৰণ তথা উন্নয়ন সাধনে কেবিনেটৰ অনুমোদন লাভ কৰিছে। এই পদক্ষেপে ইতিমধ্যে জাৰি কৰা অধিসূচনাত উল্লিখিত স্বাস্থ্য সেৱা, বিত্তীয় অন্তৰ্ভুক্তি, শিক্ষা, জনসংখ্যা সুস্থিৰকৰণ, দক্ষতা বিকাশ, মহিলা সবলীকৰণ আৰু সাংস্কৃতিক সংৰক্ষণ আদিৰ লেখীয়া বিভিন্ন ক্ষেত্ৰসমূহক সামৰি লৈছে। ১৫ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (ITI) আৰু ৪৬ টা সম্ভাৱ মণ্ডপ নিৰ্মাণকে ধৰি আন্তঃগাঁথনিগত প্ৰকল্পসমূহে প্ৰকৃত উন্নয়ন সাধনকে সূচাইছে, য'ত ৯ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু ১৫ টা সম্ভাৱ মণ্ডপ ইতিমধ্যে কাৰ্যক্ষম হৈ উঠিছে। সংখ্যালঘুসকলৰ বাবে থকা জনকল্যাণৰ আঁচনসমূহ এইবছৰো অব্যাহত থাকিব।
- মই এই বিভাগৰ বাবে ৯১.৬৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

### মহিলা আৰু শিশু বিকাশ বিভাগ

*মহিলা আৰু শিশুৰ সৰ্বাংগীণ উন্নয়ন*

- বিভাগটোৱে সফলতাৰে ৬১,০০০ অঙ্গনৱাড়ী কেন্দ্ৰ পৰিচালনাৰে ৩৭ লাখ হিতাধিকাৰীলৈ অত্যাৱশ্যকীয় সেৱা আগবঢ়াইছে। ইয়াৰ উপৰি চৰকাৰে ৪,০০০তকৈ অধিক নতুন আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ অনুমোদন জনাইছে। এতিয়ালৈকে ৩,০০০ টা অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কামৰ অগ্ৰগতিসহ প্ৰায় ১,০০০ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম সফলতাৰে সম্পূৰ্ণ কৰা হৈছে। অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকাসকললৈ অৱসৰকালীন লাভালাভ (Terminal Benefit) প্ৰদানৰ প্ৰাৰম্ভণে তেওঁলোকৰ প্ৰতি থকা আমাৰ কল্যাণৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰিছে। ৬০ বছৰ বয়সৰ সীমা গৰকাৰ লগে লগে অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকাসকললৈ ৯ লাখ টকাতকৈ অধিক ধন প্ৰদানৰ ব্যৱস্থাই ২০২৩ বৰ্ষত ৩,৩৯১ গৰাকীতকৈ অধিক অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকাক লাভান্বিত কৰিছে।
- এই দিশত আৰু এখোজ আগুৱাই গৈ বিভাগে বয়োসন্ধিপ্ৰাপ্ত কন্যা, শক্তিসদন (Ujjawala & Swadher Greh), সখী নিৱাস (কৰ্মৰত মহিলাৰ আৱাস) আৰু প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ লেখীয়া বিভিন্ন আঁচনি ৰূপায়ণৰ দিশত গুৰুত্বপ্ৰদান কৰিছে।
- মই এই বিভাগলৈ ৩,৮৩৮.২১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

## অংশ - II

অধ্যক্ষ মহোদয়, এই কথা জনাবলৈ পাই মই গৌৰৱ অনুভৱ কৰিছো যে বিগত তিনিবছৰত চৰকাৰৰ ৰাজহ সংগ্ৰহ যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে।

মই পৱিত্ৰ সদনক জনাবলৈ পাই অতিশয় আনন্দিত হৈছো যে ২০২১-২২ বৰ্ষৰ তুলনাত ২০২২-২৩ বৰ্ষত ৰাজ্যখনৰ নিজস্ব ৰাজহ ৩০.৭ শতাংশ বৃদ্ধি পাইছে। এই বৃদ্ধিৰ হাৰ অভূতপূৰ্ব আৰু বিভিন্ন ৰাজহ সংগ্ৰহকাৰী বিভাগত গ্ৰহণ কৰা বিভিন্ন ধৰণৰ সংস্কাৰমূলক পদক্ষেপৰ বাবে এয়া সম্ভৱ হৈছে। এই যাত্ৰাৰ প্ৰতিটো পৰ্যায়ত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দিক্-দৰ্শন আৰু সবল নেতৃত্ব এক নিদৰ্শন স্বৰূপ।

কৰাৰোপন, আবকাৰী, বন, ভূমি ৰাজহ, পৰিবহণ ইত্যাদি সকলো ক্ষেত্ৰতে এই ৰাজহ বৃদ্ধি প্ৰতিফলিত হৈছে। এই সফলতাসমূহৰ লগতে অনাগত বৰ্ষৰ বাবে আমি প্ৰস্তাৱ কৰা পদক্ষেপসমূহ এই ক্ষেত্ৰত উল্লেখযোগ্য।

### বাণিজ্যিক কৰ

- ২০২২-২৩ বিত্তীয় বৰ্ষত বিত্ত (কৰাৰোপন) বিভাগৰ অধীনত ১৯,৭১৫ কোটি টকা সংগ্ৰহ কৰা হৈছে। এয়া পূৰ্বৰ বৰ্ষৰ তুলনাত ২১ শতাংশ অধিক। জি এছ টি সংগ্ৰহৰ হাৰৰ ক্ষেত্ৰত দেশৰ কেইখনমান ৰাজ্যৰ ভিতৰত অসম অন্যতম। ২০২৪ বৰ্ষৰ ৩১ জানুৱাৰীলৈকে সংগৃহীত জি এছ টি আৰু অনা-জি এছ টিৰ পৰিমাণ ১৮,৪৭৪ কোটি টকা। এই পৰিমাণ ২০২২-২৩ বিত্তীয় বৰ্ষৰ একে সময়ছোৱাত সংগৃহীত ১৬,২৪০ কোটি টকাতকৈ ১৪ শতাংশ অধিক। অনাগত বৰ্ষত এই বৃদ্ধিৰ হাৰ ১৬ শতাংশলৈ উন্নীত কৰাৰ প্ৰচেষ্টা কৰিম।
- কৰ ফাকি ৰোধ কৰিবলৈ আই আই টি, হায়দৰাবাদৰ সহযোগত কৰ আয়ুক্তালয়ৰ তথ্য বিশ্লেষণ (Data Analytics) সামৰ্থ্য বৃদ্ধি কৰাৰ প্ৰচেষ্টা অব্যাহত আছে।
- চাহ উদ্যোগক সকাহ দিবলৈ উদ্যোগটোলৈ আগবঢ়োৱা আয়কৰ ৰেহাইৰ সুবিধা তিনি বছৰলৈ বৃদ্ধি কৰা হৈছে। অতিৰিক্তভাৱে নৱীকৰণযোগ্য বিদ্যুৎ উৎপাদনকাৰী উদ্যোগৰ বাবে বিদ্যুৎ মাচুল ৰেহাইৰ সুবিধা ৩ বছৰৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ বৃদ্ধি কৰা হৈছে। এই ৰেহাইৰ সুবিধাসমূহৰ কোনো সলনি নকৰাকৈ ২০২৫-২৬ বৰ্ষলৈ অব্যাহত থাকিব বুলি মই ঘোষণা কৰিলো।

#### আবকাৰী

- বিভিন্ন সংস্কাৰ আৰু বিধি ব্যৱস্থাৰ কাৰ্যকৰী ৰূপায়ণৰ ফলস্বৰূপে ২০২২-২৩ বৰ্ষত আবকাৰী বিভাগে ২,৫২৭ কোটি টকাৰ উল্লেখযোগ্য পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ২০২৪ বৰ্ষৰ ৩১ জানুৱাৰীলৈকে এই বিভাগটোৱে ২,৪৫৯ কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ২০২২-২৩ বৰ্ষৰ একে সময়ছোৱাত সংগৃহীত ২,০০৮ কোটি টকাতকৈ এই পৰিমাণ উল্লেখযোগ্য বৃদ্ধিৰে ২২ শতাংশৰো অধিক হৈছে।
- বিগত বৰ্ষটোত লাভ কৰা এক উল্লেখযোগ্য সফলতা হ'ল— বিভিন্ন বে-আইনী কাৰ্যকলাপৰ বিৰুদ্ধে বিভাগটোৱে চলোৱা অভিযান। ইয়াৰ ফলশ্ৰুতিত অবৈধ সুৰা সংক্ৰান্ত ১৩,০০০ তকৈও অধিক গোচৰ ৰুজু কৰা হৈছে আৰু ৩,০০০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।
- অনুজ্ঞাপত্ৰধাৰী বাছনিৰ ক্ষেত্ৰত স্বচ্ছতা নিশ্চিত কৰা আৰু যোগান শৃংখলৰ বিভিন্ন সুৰুঙা নিৰীক্ষণ কৰাৰ বাবে 'ট্ৰেক এণ্ড ট্ৰেচ' পদ্ধতি ৰূপায়ণ কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

#### খনি আৰু খনিজ সম্পদ বিভাগ

- ২০২৩-২৪ বৰ্ষৰ সময়ছোৱাত উল্লেখযোগ্য সফলতা লাভ কৰি খনি আৰু খনিজ সম্পদ বিভাগে ২০২৪ বৰ্ষৰ ৩১ জানুৱাৰীলৈ ৩,০০০ কোটি টকাৰ ৰয়েল্টী সংগ্ৰহ কৰে। ২০২২-২৩ বিত্তীয় বৰ্ষত বিভাগটোৱে ৪,১১৯ কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্যভাৱে বিগত বৰ্ষটোৰ তুলনাত এই বৃদ্ধিৰ হাৰ ৬৪ শতাংশ অধিক।
- এয়া পৰিলক্ষিত হৈছে যে কৰ পৰিশোধ কৰাত গাফিলতি কৰা সংস্থা/ব্যক্তিৰ পৰা বকেয়া কৰ সংগ্ৰহ কৰাৰ বাবে সুৰুঙাহীন ব্যৱস্থা নাই। অনাদায় কৰ সংগ্ৰহ কৰাৰ বাবে কঠোৰ ব্যৱস্থাপনাৰ সৈতে আমি এখন নতুন আইন প্ৰণয়ন কৰিম যাতে বিভাগটোৱে অধিক ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হয়।
- মহাশয়, আপুনি জানিবলৈ পাই আনন্দিত হ'ব যে খননৰ ক্ষেত্ৰত পৰম্পৰাগত অঞ্চলসমূহৰ আওতাৰ বাহিৰলৈ গৈ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰ, নামনি অসম আৰু ডিমা হাচাও জিলাত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ সন্ধানে ইয়াৰ পৰম্পৰাগত ক্ষেত্ৰৰ বাহিৰতো সম্পদ উদঘাটনৰ সুবিধা সম্প্ৰসাৰিত কৰিছে।

#### ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

- বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ ফলস্বৰূপে বিগত কেইটামান বৰ্ষত পঞ্জীয়ন মাচুল, মোহৰ শুল্ক আৰু ভূমি ৰাজহৰ পৰা সংগৃহীত ৰাজহৰ পৰিমাণ উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে। বিভাগটোৰ ৰাজহ সংগ্ৰহ ২০২১-২২ বিত্তীয় বৰ্ষত ৬২৪.৩৪ কোটিৰ পৰা ২০২২-২৩ বৰ্ষত ১,০০৮.৭২ কোটি টকা আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ৩১ জানুৱাৰীলৈ ৮৯৫ কোটি টকালৈ বৃদ্ধি পাইছে।
- মিছন বসুন্ধৰা ২.০ ৰ ফলস্বৰূপে ২.২৯ লাখতকৈ অধিক আবেদনকাৰীক ডিজিটেল ব্যৱস্থাৰে ভূমিৰ অধিকাৰ প্ৰদান কৰা সম্ভৱ হৈছে। এই আবেদনকাৰীসকলৰ ৮৪ শতাংশ ব্যক্তি অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীৰ দৰে সমাজৰ উপান্ত শ্ৰেণীৰ খিলঞ্জীয়ালোক।
- অভিযানটোৰ প্ৰথম দুটা সংস্কৰণৰ পৰা লাভ কৰা সফলতাৰ পিছত আমাৰ চৰকাৰে এতিয়া মিছন বসুন্ধৰা ৩.০ ৰ অধীনত পৰৱৰ্তী প্ৰজন্ম পৰ্যায়ৰ সেৱা আৰম্ভ কৰাৰ গুণা-গঁথা কৰি আছে। এই পৰ্যায়টোত তলত দিয়া মুখ্য উপাদানসমূহ অন্তৰ্ভুক্ত হ'ব ঃ

i. নগৰীয় অঞ্চলত মাগুলিক মূল্যৰ সৈতে ভূমি ৰাজহৰ সংযোজন একেলগে আৰম্ভ কৰা।
ii. বিক্ৰী চুক্তি আৰু কৰ্তৃত্ব অৰ্পণ চুক্তিৰ পঞ্জীয়ন মাচুল আৰু মোহৰ শুল্ক যুক্তিসন্মত কৰি পৰিবহণ (conveyance) দলিলৰ ১০ শতাংশৰ সমপৰ্যায় কৰা।
iii. চাহ বাগিচাৰ বাবে নিৰ্ধাৰিত ভূমি আন উদ্দেশ্যে ব্যৱহাৰৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সমাধানৰ বাবে ক্ষুদ্ৰ ভূমিৰ গৰাকীক এককালীন সুবিধা প্ৰদান কৰি এনে ভূমি অনুমোদিত কাৰ্যৰ বাহিৰে আন কামত ব্যৱহাৰ কৰাটো ফৌজদাৰী অপৰাধ হিচাপে গণ্য কৰা।
iv. ভূমি মালিকীস্বত্বৰ চূড়ান্তকৰণৰ বাবে ভৌগোলিক অৱস্থানৰ মানচিত্ৰায়নৰ ডিজিটেল ডেলিভাৰীৰ সুবিধা প্ৰদান।
v. ভূমি ৰাজহৰ বকেয়া সংগ্ৰহৰ বাবে অভিযান আৰ্হিত বিশেষ প্ৰচাৰ।
vi. ধৰ্মীয় অনুষ্ঠানসমূহৰ সক্ৰিয়ভাৱে ব্যৱহাৰ নোহোৱা যথেষ্ট পৰিমাণৰ ওপৰঞ্চি ভূমি আছে। এই ভূমিৰ কিছু অংশ খিলঞ্জীয়া লোকৰ দখলত আছে। প্ৰচলিত আইনৰ বাবে মিছন বসুন্ধৰা ২.০ৰ অধীনত এনেকুৱা ভূমি নিষ্পত্তি কৰিব পৰা যোৱা নাছিল। এতিয়া মিছন বসুন্ধৰা ৩.০ৰ অধীনত যোগ্য খিলঞ্জীয়া পৰিয়ালৰ দখলত থকা এনে ওপৰঞ্চি ভূমি পট্টনৰ বাবে আমি প্ৰস্তাৱ আগবঢ়ালো।
vii. সকলো ভূমি প্ৰশাসন সংস্থাক ভূমিলেখ্য তথ্যভাণ্ডাৰৰ সৈতে সংহত কৰিবৰ বাবে এটা উপযুক্ত ব্যৱস্থা গঢ়ি তোলা হ'ব।

#### পৰিবহণ বিভাগ

- এই বিভাগৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ ২০২১-২২ বিত্তীয় বৰ্ষৰ ১,০২২ কোটি টকাৰ পৰা ২০২২-২৩ বিত্তীয় বৰ্ষত ১,৩৬১ কোটি টকালৈ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ৩১ জানুৱাৰীলৈকে ১,৩৭৪ কোটি টকালৈ বৃদ্ধি পাইছে।
- বাহন স্ক্ৰেপেজৰ নতুন নীতি, সেউজ কৰ, বাহনৰ উপযুক্ততাৰ ক্ষেত্ৰত থকা জৰিমনা হ্ৰাস, যান-বাহন কৰৰ নিষ্পত্তিকৰণ আৰু বৈদ্যুতিক বাহনৰ বাবে উৎসাহ প্ৰদান আদি ব্যৱস্থাসমূহে পৰিৱেশজনিত লক্ষ্যত উপনীত হোৱাৰ প্ৰতি থকা আমাৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিপন্ন কৰে আৰু ইয়াৰ দ্বাৰা কেৱল উপযুক্ত যান-বাহনসমূহহে পথত চলাচল কৰাটো নিশ্চিত কৰিছে।
- চালকৰ অনুজ্ঞাপত্ৰ প্ৰদান প্ৰক্ৰিয়াত মানুহৰ হস্তক্ষেপ নোহোৱা কৰিবলৈ আৰু বিজ্ঞানসন্মত প্ৰশিক্ষণ তথা গাড়ীচালনাৰ দক্ষতাৰ পৰীক্ষণ সুনিশ্চিত কৰিবলৈ স্বয়ংক্ৰিয় গাড়ীচালনা পৰীক্ষণ ট্ৰেক (ADTT)সহ এটা গাড়ীচালকৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। এই কেন্দ্ৰত ৰাজ্যখনৰ সকলো জিলাতে ব্যক্তিগত আৰু ৰাজহুৱা অংশীদাৰিত্বৰে ভিডিঅ' বিশ্লেষণ ব্যৱস্থাসহ প্ৰকৃত সময় নিৰীক্ষণ আৰু মূল্যায়নৰ সুবিধা উপলব্ধ হ'ব।
- তদুপৰি, ৰাজ্যখনত ১২৬ খন গাড়ীচালনাৰ প্ৰশিক্ষণ বিদ্যালয় স্থাপন কৰা হ'ব, যাতে প্ৰতিটো বিধানসভা সমষ্টিতে এনেধৰণৰ এখনকৈ বিদ্যালয় থাকে। এই বিদ্যালয়সমূহ উপৰোক্ত গাড়ীচালকৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষণ কেন্দ্ৰৰ অধীনলৈ অনা হ'ব। সকলো গাড়ীচালকৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষণ কেন্দ্ৰকে ৰাজ্য চৰকাৰৰ হৈ চালকৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ ক্ষমতা অৰ্পণ কৰা হ'ব। এখন নিয়ামক প্ৰাধিকৰণ স্থাপন কৰা হ'ব আৰু এই প্ৰাধিকৰণে গাড়ীচালকৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষণ কেন্দ্ৰসমূহলৈ অনুজ্ঞাপত্ৰ প্ৰদান কৰিব। যদি এই গাড়ীচালকৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষণ কেন্দ্ৰসমূহে চৰ্ত ভংগ কৰে তেতিয়া এই কেন্দ্ৰসমূহৰ বিৰুদ্ধে নিয়ামক প্ৰাধিকৰণে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব। এই প্ৰাধিকৰণৰ অনুজ্ঞাপত্ৰ বাতিলকৰণৰ ক্ষমতা থাকিব আৰু শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।
- গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ প্ৰত্যাশী লোকে এই স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষণ কেন্দ্ৰসমূহত প্ৰশিক্ষণ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিলে অনুজ্ঞাপত্ৰ লাভ কৰিবলৈ বাধ্যতামূলক দক্ষতাৰ পৰীক্ষা দিয়াৰ পৰা তেওঁলোকে ৰেহাই পাব।

#### পৰিৱেশ আৰু বন বিভাগ

- মাননীয় অধ্যক্ষ মহোদয়, বিগত কেইটামান বছৰত বিভাগটোৱে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগাই আহিছে। যোৱা কেইটামান বছৰত ৰাজহ সংগ্ৰহৰ ধাৰা বৃদ্ধি পাই আহিছে। এইক্ষেত্ৰত বিভাগে সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ হৈছে ২০২১-২২ বিত্তীয় বৰ্ষত ৩৯১.৯৮ কোটি টকা, ২০২২-২৩ বিত্তীয় বৰ্ষত ৪৫১.৫০ কোটি টকা আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ৩১ জানুৱাৰীলৈ ৩৩০ কোটি টকা।
- নিয়মাৱলীৰ সংশোধন ঘটাই অসম ক্ষুদ্ৰ খনিজ সম্পদ ৰেহাই বিধি, ২০১৩ত বন ৰাজহ উলংঘন আৰু ফাকিৰ বাবে শাস্তিমূলক ব্যৱস্থা সন্নিৱিষ্ট কৰা হ'ব। তদুপৰি, কিছুমান নিৰ্বাচিত খনিত জিঅ' ফেন্সিং ব্যৱস্থা, ট্ৰাকসমূহৰ নিৰীক্ষণ কৰিবলৈ জি পি এছ আৰু অন্যান্য বৈদ্যুতিন নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কেৱল নিৰ্দিষ্ট পৰিচয়সম্বলিত মনোনীত বাহনসমূহকহে যাতে খনিজ সম্পদ কঢ়িওৱাৰ অনুমতি প্ৰদান কৰা হয় সেইটো বন বিভাগে সুনিশ্চিত কৰিব আৰু এই বাহনসমূহৰ বাবে পথসমূহ নিৰ্দিষ্ট কৰি দিয়া হ'ব। ইয়াৰ দ্বাৰা ৰাজহ ফাকি ৰোধ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে উল্লেখ কৰা কথাখিনিৰ পৰা এয়া স্পষ্ট হয় যে এই বাজেটখনত আমি অসমৰ জনসাধাৰণৰ ওপৰত কোনোধৰণৰ অতিৰিক্ত কৰৰ বোজা আৰোপ কৰা নাই।

অধ্যক্ষ মহোদয়, এতিয়া মই ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে বাজেট প্ৰাক্কলন উপস্থাপন কৰিব বিচাৰিছো।

## বাজেট প্ৰাক্কলন

২০২৪-২৫ বৰ্ষৰ বাজেট প্ৰাক্কলনত ৰাজ্যখনৰ একত্ৰীকৃত নিধিত মুঠ ১,৪৩,৬০৫.৫৬ কোটি টকাৰ প্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰে ১,১১,৯৪৩.৮৪ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ৩১,৬৬১.৭৩ কোটি টকা মূলধনী শিতানত। বিভিন্ন উৎসৰ পৰা অহা একত্ৰীকৃত নিধিৰ আনুমানিক প্ৰাপ্তিৰ হিচাব মই তালিকা নং-১ ত উল্লেখ কৰিছোঁ। ৰাজহুৱা শিতানৰ ১,৪৪,৫৫০.০৮ কোটি টকা আৰু উপনিমিত্ত (Contingency) পুঁজিৰ অধীনৰ ২,০০০.০০ কোটি

**Annexure -A**

**List of Ongoing Externally Aided Projects in the State of Assam as on 09-02-2024**

| SL. No | Project Name | Department | Approved Project cost (INR Cr) |
|---|---|---|---|
| 8 | Enhancement of Intra State Transmission System of Assam, AEGCL (**EISTSP**) | Power | 4510.00 |
| 9 | Assam Power Sector Investment Program, Tranche-III, Lower Kopili H.E Project (120 MW), APGCL (**APSIP**) | Power | 2127.55 |
| 10 | Assam Skill University at Mangaldai (**ASUP**) | Skill, Employment and Entrepreneurship | 1016.68 |
| 11 | Assam Health System Strengthening Project (**AHSSP**) | Medical Education & Research | 3797.77 |
| 12 | Assam Power Distribution System Enhancement and Loss Reduction Project, APDCL (**DSELRP**) | Power | 3284.04 |
| 13 | Assam State Public Finance Institutional Reforms Project (**ASPIRe**) | Finance | 294.50 |
| | Assam South Asia Subregional | | |
| 14 | Economic Corridor Connectivity Improvement Project (**ASCCIP**) | PWRD | 3813.59 |
| 15 | Assam Secondary Roads Network Improvement Project (**ASRIP**) | PWRD | 3519.27 |
| 16 | Assam Integrated River Basin Management Project Phase I **(AIRBMP-I)** | Water Resources | 1107.00 |
| 17 | Assam State Secondary Healthcare Initiative for Service Delivery Transformation Project **(ASSIST)** | Medical Education & Research | 2510.64 |
| 18 | Climate Resilient Brahmaputra Integrated Flood and River Erosion Risk Management Program **(CRBIFRERMP)** | Water Resources | 2050.00 |
| | **TOTAL** | | **37699.42** |

**Annexure - B**

**List of Pipeline Externally Aided Projects in the State of Assam as on 09-02-2024**

| SL. No | Project Name | Department | Project Cost (INR Cr) |
|---|---|---|---|
| 1 | Sustainable Wetland and Integrated Fisheries Transformation **(SWIFT)** Project | Fishery | 851.88 |
| 2 | Assam Resilient Rural Bridge Program **(ARRBP)** | PWRD | 4360.00 |
| 3 | Assam Bridge Project-II (Connecting Palashbari & Sarthebari) **(ABP - II)** | PWRD | 3094.00 |
| 4 | Assam Integrated River Basin Management Project **(AIRBMP)**, **Phase II** | Water Resources | 2050.00 |
| 5 | Assam Urban Infrastructure Investment Program **(AUIIP-II)** | Housing & Urban Affairs | 882.67 |
| 6 | Implementation of 1000MW Solar Power Plants across the state under "Mukhya Mantri Sauro Shakti Prokolpo" **(1KMWSP)** | Power | 4000.00 |
| 7 | Assam Disaster Resilient Hill Area Road Development Project **(ADRHARDP)** | PWRD | 3875.00 |
| 8 | Assam Urban Sector Development Project **(AUSDP)** | Housing & Urban Affairs | 1250.00 |
| | **TOTAL** | | **20363.55** |

**ANNEXURE-C**

**List of Roads under Asom Mala 2.0:**

| Sl No | Name of Road | District | Road Length in Km |
|---|---|---|---|
| 1 | Barama Tamulpur Road | Baksa | 26.145 |
| 2 | Barama Nikashi Road | Baksa | 24.863 |
| 3 | Sarthebari Nagaon Road | Barpeta | 14.420 |
| 4 | SH 39 from Irongmara T.E. Point to Borakhal T.E. | Cachar | 3.300 |
| 5 | Amjur Binnakandi Fulertol Road | Cachar | 17.482 |
| 6 | Dholai Bazar Dwarbond Road | Cachar | 13.350 |
| 7 | Patsaku to Pithaguti Via Jajali Panchali | Charaideo | 29.710 |
| 8 | Ghoshpara Kali Mandir Tiniali Bhumkipara Pub Amguri Road | Chirang | 24.060 |
| 9 | Karim Chowk , Mangaldoi to Fire Service Office, RD Road, Rangia | Darrang & Kamrup | 43.675 |
| 10 | Butikur Ghilamara Road | Dhemaji & Lakhimpur | 15.989 |
| 11 | NH-37 to Bamunbari Via Nigam Panchali | Dibrugarh | 17.400 |
| 12 | Lahowal Natun Ali Tingrai Tiniali Tiwarigula Road | Dibrugarh & Tinsukia | 27.300 |
| 13 | Sessa Tiniali Garudharia Gaon Itakhuli Road | Dibrugarh | 14.200 |
| 14 | Nawghat bridge Chungajan Sarupathar road | Golaghat | 22.000 |
| 15 | Golaghat Merapani Road | Golaghat | 29.180 |
| 16 | Pulibor Handique Gaon Buralikson Road (Gohain Ali) | Golaghat | 16.000 |
| 17 | Baladmari Dubapara Road via Garo Bajar | Goalpara | 10.270 |
| 18 | Ainakhal Tri- Junction (NH-6) - Ashimganj Road | Hailakandi & Karimganj | 37.512 |
| 19 | Jorhat Titabor Borhola Road (Na Ali) including airport approach | Jorhat | 37.800 |
| 20 | Dhodar Ali Road from Kakodunga to Deberapara via Titabor Town | Jorhat | 36.450 |
| 21 | Nalbari Kalitakuchi Road | Kamrup & Nalbari | 18.992 |

| Sl No | Name of Road | District | Road Length in Km |
|---|---|---|---|
| 22 | Road from Bezera Chariali (NH-15) to Balikuchi Chowk | Kamrup | 11.400 |
| 23 | Road from Ambari to Majirgaon (Palashbari) | Kamrup | 27.268 |
| 24 | Road from Satdola to Nayanpur | Kamrup | 2.610 |
| 25 | Road from Borkhat to Byrnihat | Kamrup (M) | 14.220 |
| 26 | Kuthuri-Dijju valley - 5th Km DSC Road-Dokmoka town | Karbi Anglong | 87.000 |
| 27 | Kokrajhar Ramfalbil Road | Kokrajhar | 22.220 |
| 28 | Road from Gubrisali Changmai to Dijoo Pathar | Lakhimpur | 6.803 |
| 29 | Road from Kohora E&D Dyke (SH 42) at Jamuguri to Korha Ghat | Lakhimpur | 9.330 |
| 30 | Road from Brahmaputra dyke from Patigaon to Takarchuk via Bongaon | Majuli | 44.150 |
| 31 | Baghara Domal Ahatguri Road | Morigaon | 21.946 |
| 32 | Road from Bar Agra to Kharjara Ashram | Nalbari | 2.728 |
| 33 | Road from NH 715 at Kuworitol Tiniali | Nagaon | 14.930 |
| 34 | Kathiatoli-Kampur- Jamunamukh-Doboka Road | Nagaon &Hojai | 38.185 |
| 35 | Road from Inter District Ferrighat (Dikhowmukh) to Nazira Town (ONGC Tiniali) | Sivasagar | 28.100 |
| 36 | Sijusa Itakhola Road | Sonitpur | 20.160 |
| 37 | Road from NH15 to Balipara Bhalukpong (BRO Road) via Lakhra | Sonitpur | 8.456 |
| 38 | Porua chariali Hari Gaon Tezpur University Road | Sonitpur | 7.856 |
| 39 | Road from Ghoirali TE to Borjuli Tiniali at BRO Road | Sonitpur | 2.980 |
| 40 | Road from Dhola to Bhupen Hazarika Setu via Kesakhaiti Than | Tinsukia | 9.800 |
| 41 | Digboi Pengree Bordumsa Mohong Chariali Road | Tinsukia | 40.000 |
| 42 | Road from Bengbari to Naokata | Udalguri | 36.512 |
| 43 | Baithalangsho Hamren Khanduli Road | West Karbi Anglong | 59.940 |

**ANNEXURE-D**

| Sl. No. | District Name | School Name | LAC |
|---|---|---|---|
| 1 | KARIMGANJ | NETAJINAGAR HIGH SCHOOL | 001-RATABARI |
| 2 | KARIMGANJ | C.V.P. HS SCHOOL | 001-RATABARI |
| 3 | KARIMGANJ | MODEL HIGHER SECONDARY SCHOOL | 002-PATHERKANDI |
| 4 | KARIMGANJ | MAHABIR PUBLIC HIGHER SECONDARY SCHOOL, SHIBERGOOL | 002-PATHERKANDI |
| 5 | KARIMGANJ | LATU HIGHER SECONDARY SCHOOL | 003- NORTH KARIMGANJ |
| 6 | KARIMGANJ | KUSHIARKUL HIGHER SECONDARY SCHOOL | 003- NORTH KARIMGANJ |
| 7 | KARIMGANJ | S.V. BIDYANIKETAN | 004-SOUTH KARIMGANJ |
| 8 | KARIMGANJ | JAFARGARH EXTD H.S.SCHOOL | 004-SOUTH KARIMGANJ |
| 9 | KARIMGANJ | SRIGOURI HIGHER SECONDARY SCHOOL | 005-BADARPUR |
| 10 | KARIMGANJ | BHANGA HIGHER SECONDARY SCHOOL | 005-BADARPUR |
| 11 | HAILAKANDI | KUCHILA HIGH SCHOOL | 006-HAILAKANDI |
| 12 | HAILAKANDI | GOVT V.M.H.S SCHOOL | 006-HAILAKANDI |
| 13 | HAILAKANDI | MATIJURI H.S SCHOOL | 006-HAILAKANDI |
| 14 | HAILAKANDI | JOY MANGOL HIGH SCHOOL | 007- KATLICHERRA |
| 15 | HAILAKANDI | SAHABAD HIGH SCHOOL | 007- KATLICHERRA |
| 16 | CACHAR | KALIKA PRASAD RAI HIGH SCHOOL | 008-ALGAPUR |
| 17 | HAILAKANDI | CHIPORSANGAN PUBLIC HS | 008-ALGAPUR |
| 18 | CACHAR | SHYAMACHARAN DEV VIDYAPITH | 009 SILCHAR |
| 19 | CACHAR | ADHARCHAND H S SCHOOL | 009 SILCHAR |
| 20 | CACHAR | PUBLIC H S SCHOOL | 009 SILCHAR |
| 21 | CACHAR | M.H.C. HIGHER SECONDARY SCHOOL | 010 SONAI |
| 22 | CACHAR | SONAI NITYA GOPAL HS. SCHOOL | 010 SONAI |
| 23 | CACHAR | BRAJAKISHORE DWARBOND HIGH SCHOOL | 011 DHOLAI |

